ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

Content includes AI-generated material

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, MAY 1, 2025 ■ বৃহস্পতিবাৰ, ১৭ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৩ Guwahati, Assam ।। মূল্যঃ এটকা

# শীৰ্ষস্থান অবিহনেই ঘোষণা হ'ল উচ্চতৰ মাধ্যমিকৰ ফলাফল

**ই-সংবাদ বিশেষ, ৩০ এপ্ৰিলঃ** বুধবাৰে অসম ৰাজ্যিক শিক্ষা ব'ৰ্ডে কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক বিষয়ৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। শিক্ষা বিভাগৰ তথ্য অনুসৰি, এইবাৰ উচ্চতৰ মাধ্যমিকত ৩,০২,৪২০ গৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তি কৰাৰ বিপৰীতে ৩ নং পৃষ্ঠাত চাওক



**কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮১.০৩%, বিজ্ঞানত ৮৪.৮৮%, বাণিজ্য শাখাত উত্তীৰ্ণ হ'ল ৮২.১৮%**

## আকৌ এনকাউণ্টাৰ! গুৱাহাটীত আৰক্ষীৰ গুলীত নিহত ডকাইত



**ই-সংবাদ, ৩০ এপ্ৰিলঃ** গুৱাহাটীত চোৰ-ডকাইতৰ বিৰুদ্ধে পুনৰ ৩ পৃষ্ঠাত

## অৱশেষত বিৰোধীৰ দাবীৰ প্ৰতি ন্যায্যতা মোদী চৰকাৰৰ

# দেশত হ'ব 'জাতি জনগণনা'

**নতুন দিল্লী, ৩০ এপ্ৰিলঃ** বহু বিতৰ্ক, বিৰোধী মিত্ৰজোঁটৰ ধাৰাবাহিক দাবী, ৰাজ্যভিত্তিক সমীক্ষাৰ প্ৰতি অসন্তুষ্টিৰ মাজতে অৱশেষত জাতিভিত্তিক লোকপিয়লৰ ৭ পৃষ্ঠাত



## মোদী চৰকাৰৰ সিদ্ধান্তলৈ সমৰ্থন ৰাহুল গান্ধীৰ

**নতুন দিল্লী, ৩০ এপ্ৰিলঃ** সুদীৰ্ঘ ৯১ বছৰৰ পাছত দেশত জাতিগত জনগণনা অনুষ্ঠিত কৰাৰ এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিলে মোদী চৰকাৰে। শেষাংশ ৫ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী হিমন্তৰ বিৰুদ্ধে কংগ্ৰেছ যাব আৰক্ষীৰ কাষলৈ

**ই-সংবাদ, ৩০ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ ২ পৃষ্ঠাত চাওক

# মই মাৰ গাখীৰ খাই ডাঙৰ হৈছোঁ! 'মহিলাৰ সতীত্ব'ক লৈ কথা কোৱা মুখ্যমন্ত্ৰী অলৰ-অচৰ



**ই-সংবাদ, চামতা- মুকালমুৱা, ৩০ এপ্ৰিলঃ** কংগ্ৰেছৰ দিনত সতীত্ব হৰণ কৰি মহিলাই চাকৰি লাভ কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী সভাত উল্লেখ কৰাৰ পিছৰে পৰা ৫ নং পৃষ্ঠাত চাওক

## ৩ দশকৰ পিছত বাৰ এছ'চিয়েশ্যন ত্যাগ হিমন্তৰ

**ই-সংবাদ, ৩০ এপ্ৰিলঃ** গুৱাহাটী মহানগৰীৰ মাজমজিয়াৰ পৰা ২ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্বক উভতি ধৰিলে ভূপেন বৰাই

# 'আমিও আমূল তাজা গাখীৰ খাই ডাঙৰ হোৱা নাই'

**ই-সংবাদ, মোৰাঝাৰ-গুৱাহাটী, ৩০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনত কেইটামান ভোটৰ লালসাত ৰাজ্যৰ শেষাংশ ৪ পৃষ্ঠাত



## কলকাতাৰ অগ্নিকাণ্ডত ১৪ জনৰ মৃত্যু

**কলকাতা, ৩০ এপ্ৰিলঃ** ভয়ংকৰ অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ ৭ পৃষ্ঠাত চাওক

## যুদ্ধংদেহী পৰিৱেশ!

# ৭ বছৰৰ অন্তত নিৰাপত্তা উপদেষ্টা পৰিষদ গঠন

**নতুন দিল্লী, ৩০ এপ্ৰিলঃ** পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত অব্যাহত থকা যুদ্ধংদেহী উত্তেজনাৰ ৮ পৃষ্ঠাত চাওক

## ইছলামাবাদৰ পৰা অসমক লৈ চলিছে ভুৱা প্ৰচাৰ

**ই-সংবাদ, ৩০ এপ্ৰিলঃ** পেহেলগাম ঘটনাৰ পিছতে সামাজিক মাধ্যম যোগে পাকিস্তানৰ পৰা পৰিচালিত ছ'চিয়েল মিডিয়াৰ প্লেটফৰ্ম যোগে ভাৰতক লৈ বিভিন্ন অপপ্ৰচাৰ কৰা থকা হৈছে। ভাৰতক লৈ ভ্ৰান্ত খবৰ বিয়পাই বিভিন্ন ষড়যন্ত্ৰ কৰি থকা পৰিলক্ষিত হৈছে। ২ পৃষ্ঠাত চাওক




**গুৱাহাটীৰ কামাখ্যাত ভাৰতীয় সেনাক আক্ৰমণ কৰা বুলি অপপ্ৰচাৰ ফেচবুকত**

## মোদী কেবিনেটৰ উপহাৰ

# উত্তৰ-পূবৰ ঘাইপথ উন্নয়নৰ বাবে ২২ হাজাৰ কোটি

**ই-সংবাদ, ৩০ এপ্ৰিলঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেবিনেটে উত্তৰ-পূৰ্বাঞ্চলক বৃহৎ উপহাৰ প্ৰদান কৰিছে। কেবিনেটে ৪ পৃষ্ঠাত চাওক

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ দশকৰ পিছত বাৰ এছ'চিয়েশ্যন

গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰ কৰিবলৈ ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্তক সমৰ্থন কৰি আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনৰ সদস্য পদ ত্যাগ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এগৰাকী অধিবক্তা হিচাপে বিগত প্ৰায় তিনি দশকৰ অন্তত বাৰ এছ'চিয়েচনৰ সদস্য পদ ত্যাগ কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। এখন পত্ৰযোগে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে ৰাজ্য চৰকাৰে লোৱা উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্তক সমৰ্থন কৰি বাৰ এছ'চিয়েচনৰ সদস্য পদ ত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গুৱাহাটীৰ মাজমজিয়াৰ পৰা উত্তৰ গুৱাহাটীৰ ৰংমহলত নতুন ন্যায়িক নগৰ স্থাপন কৰি উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্ত লৈছে মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। ৰাজ্য চৰকাৰে এই সিদ্ধান্ত লোৱাৰ পিছৰে পৰা বাৰ এছ'চিয়েচনে তীব্ৰ বিৰোধ কৰি গৈছে। ইতিমধ্যে বাৰ এছ'চিয়েচনে প্ৰতিবাদ পৰ্যন্ত সাব্যস্ত কৰিছে। চৰকাৰী পক্ষ আৰু বাৰ এছ'চিয়েচন পক্ষৰ বাকযুদ্ধক লৈ গোচৰ পৰ্যন্ত ৰুজু কৰা হৈছে। তাৰ মাজতে আজি মুখ্যমন্ত্ৰী শৰ্মাই বাৰ এছ'চিয়েচন ত্যাগ কৰিছে। বাৰ এছ'চিয়েচনৰ অধ্যক্ষক প্ৰদান কৰা এখন পত্ৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আধুনিক বৰ্তমানৰ উচ্চ ন্যায়ালয় চৌহদত স্থানৰ অভাৱ, অপৰ্যাপ্ত পাৰ্কিং আৰু অত্যাৱশ্যকীয় সা-সুবিধা নথকাৰ কথা উল্লেখ কৰি কয় যে গুৱাহাটী চহৰৰ মাজভাগৰ বৰ্তমানৰ চৌহদত অধিক সম্প্ৰসাৰণৰ কোনো সুবিধা নাই। বিশেষকৈ ন্যায়াধীশৰ সংখ্যা ২২ ৰ পৰা ৩০ লৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ১৯৯৪ চনৰ পৰা ২০০১ চনলৈ অনুশীলন অধিবক্তা হিচাপে কৰ্মৰত অৱস্থাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয় যে উচ্চ ন্যায়ালয়ৰ আন্তঃগাঁথনি বৰ্তমানৰ প্ৰয়োজনীয়তা পূৰণ কৰাত শোচনীয়ভাৱে ব্যৰ্থ হৈছে। পৰিস্থিতিৰ আৰু অধিক অৱনতি ঘটিব। কেনেকৈ কনিষ্ঠ অধিবক্তাসকলে অপৰ্যাপ্ত কৰ্মক্ষেত্ৰৰ সৈতে সংগ্ৰাম অব্যাহত ৰাখিছে। আধুনিক প্ৰযুক্তিগত চাহিদা অধিক বৃদ্ধি পাইছে। সম্পূৰ্ণ ন্যায়ালয়ৰ ২০২৩ চনৰ পৰামৰ্শৰ সৈতে সংগতি ৰাখি নতুন কমপ্লেক্স স্থাপনৰ বাবে ১০০০ কোটি আবন্টন ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। প্ৰস্তাৱিত ৰংমহলৰ স্থান মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে বাছনি কৰিছিল আৰু ন্যায়ালয়ে অনুমোদন জনাইছিল। ৰাজনৈতিক লাভৰ বাবে অৱস্থান বাছনি কৰা হৈছিল বুলি কৰা দাবী খাৰিজ কৰি ড০ শৰ্মাই আৰু কয় যে এই স্থানান্তৰ দীৰ্ঘম্যাদী সময়ত আইনী সম্প্ৰদায়ক লাভান্বিত কৰিব। বিশেষকৈ গুৱাহাটী-উত্তৰ গুৱাহাটী দলং আৰু ৰিং ৰোডৰ দৰে আগন্তুক আন্তঃগাঁথনি প্ৰকল্পৰ সৈতে যাত্ৰাৰ সময় যথেষ্ট হ্ৰাস কৰিব। লগতে মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ উচ্চ ন্যায়ালয়ৰ ভৱনসমূহক তেওঁলোকৰ ঐতিহ্য সংৰক্ষণৰ বাবে ন্যায়িক সংগ্ৰহালয়লৈ ৰূপান্তৰ কৰাৰ প্ৰস্তাৱ দিয়ে। বাৰ এছ'চিয়েচনৰ পৰা পদত্যাগ কৰি শৰ্মাই আৰু কয় যে ন্যায়িক সংস্কাৰ, প্ৰতিষ্ঠানগত উন্নয়ন আৰু আইনী ব্যৱস্থাৰ ভৱিষ্যতৰ বৃহত্তৰ স্বাৰ্থত স্থানান্তৰৰ সিদ্ধান্ত লোৱা হৈছে। তেওঁৰ মন্তব্যই পুনৰ এবাৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আৰক্ষীৰ কাষ চাপিব

মহিলাৰ বিৰুদ্ধে কৰা অশালীন মন্তব্যৰ বিৰুদ্ধে কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কাইলৈ ৰাজ্যৰ সকলো আৰক্ষী থানাত কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিব বুলি ঘোষণা কৰিছে। আনহাতে আজি গুৱাহাটী ৰাজীৱ ভৱনত মহিলা প্ৰদেশ কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ গোস্বামীৰ নেতৃত্বত আজি শতাধিক মহিলাই হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছৰ প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া মন্তব্যক লৈ চিবিআই তদন্ত কৰিবলৈ দাবী জনাইছে। উল্লেখ্য যে ২৮ এপ্ৰিলত শোণিতপুৰ জিলাৰ বৰছলাত মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈ গৈ ২০০১ চনৰ পৰা ২০১৫ চনলৈ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত চৰকাৰী চাকৰিৰ বিনিময়ত মহিলাসকলে তেওঁলোকৰ সতীত্ব হেৰুৱাবলগীয়া হৈছিল বুলি কংগ্ৰেছক আক্ৰমণ কৰিছিল। মুখ্যমন্ত্ৰীৰ এনে অশালীন মন্তব্যক লৈ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এগৰাকী মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰি লাভ কৰা কেইবা হাজাৰ মহিলাৰ চৰিত্ৰক লৈ প্ৰশ্ন কৰাৰ দৰে হোৱাত একাংশ লোক জাঙুৰ খাই উঠে। কংগ্ৰেছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে ২৪ ঘণ্টাৰ ভিতৰত ক্ষমা নুখুজিলে এজাহাৰ দাখিল কৰাৰ হুংকাৰ দিয়ে। তাৰ লগতে আজি মহিলা কংগ্ৰেছে ৰাজীৱ ভৱনত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিভিন্ন শ্ল'গান প্ৰদান কৰি মন্তব্যক লৈ ক্ষমা খোজাৰ লগতে বিজেপি দলকো অসমৰ মহিলাৰ ওচৰত ক্ষমা খুজিবলৈ দাবী জনাইছে। লগতে মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ গোস্বামীয়ে ৰাষ্ট্ৰীয় মহিলা আয়োগলৈ এখন পত্ৰ প্ৰেৰণ কৰা বুলি উল্লেখ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে এক বিপজ্জনক কথা প্ৰকাশ কৰিছে। অসমত কংগ্ৰেছ চৰকাৰৰ পূৰ্বৰ ১৫ বছৰীয়া শাসনকালত মহিলাসকলে সতীত্বৰ হনন কৰি চৰকাৰী চাকৰি লাভ কৰিছিল। এই মন্তব্যই অসমৰ মহিলাসকলৰ মাজত সৃষ্টি কৰা ক্ষোভৰ সৃষ্টি কৰিছে। এয়া আটাইতকৈ ঘৃণনীয় কথা। যদি তেনেদৰে সকলোৱে নহ'লেও একাংশ মহিলাই তেওঁলোকৰ সতীত্ব হেৰুৱাবলগীয়া হৈছে তেন্তে যৌন শোষণৰ পৰিমাণ কল্পনা কৰক। এইটো পৃথিৱীৰ আটাইতকৈ ডাঙৰ যৌন কেলেংকাৰী। তাৎক্ষণিক আৰু পুংখানুপুংখ তদন্তৰ প্ৰয়োজনীয়তা বুলি উল্লেখ কৰি মীৰা বৰঠাকুৰ গোস্বামীয়ে কয় যে ৰাষ্ট্ৰীয় মহিলা আয়োগক বিষয়টোৰ চিবিআই তদন্তৰ বাবে আহ্বান জনায়। পত্ৰখনত গোস্বামীয়ে নিৰপেক্ষ তদন্তৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অসম আৰক্ষীৰ নিৰপেক্ষ তদন্তত সন্দেহ প্ৰকাশ কৰি কয় যে আমি আশা নকৰোঁ যে অসম আৰক্ষীয়ে নিৰপেক্ষভাৱে কাম কৰিব। সেয়েহে, চিবিআই তদন্ত অপৰিহাৰ্য। কংগ্ৰেছ চৰকাৰত থকাৰ পিছতো হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ত কিয় নীৰৱ হৈ আছিল বুলি প্ৰশ্ন কৰি গোস্বামীয়ে কয় যে পূৰ্বৰ চৰকাৰত থকা শৰ্মাই কিয় মাত মতা নাছিল বুলি কয়। মুখ্যমন্ত্ৰীক মহিলা আয়োগে মাতি পঠিয়াব লাগে আৰু সুধিব লাগে যে পূৰ্বৰ চৰকাৰৰ অংশ হৈ থাকোঁতে তেওঁ কিয় চুপ আছিল। তেওঁ দোষী নহয় নেকি? যদি মুখ্যমন্ত্ৰীয়ে মিছা কয়, তেন্তে তেওঁক সৰ্বোচ্চ শাস্তি দিয়া উচিত। মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰক। কিন্তু যদি এই কথা সঁচা হয়, তেন্তে ইমান দিন ধৰি জঘন্য অপৰাধ লুকুৱাই ৰখাৰ বাবে তেওঁক শাস্তি দিয়া উচিত। এনেদৰে এতিয়া সৰৱ হৈছে ভূপেন বৰা আৰু কংগ্ৰেছ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইছলামাবাদৰ পৰা অসমক লৈ চলিছে

এইবাৰ ভাৰতীয় সেনাক লৈ অসমক সাঙুৰি এক মিছা প্ৰচাৰ চলাইছে পাকিস্তানৰ পৰা পৰিচালিত এটা ফেচবুক পেজে। ইছলামাবাদ ইনছাইডাৰ নামৰ ভেৰিফাইড ফেচবুক পেজৰ পৰা গুৱাহাটী মহানগৰীৰ কামাখ্যাত ৰাইজে ভাৰতীয় সেনাক আক্ৰমণ কৰা বুলি খবৰ প্ৰচাৰ কৰে। এটা অজ্ঞাত ভিডিঅ' প্ৰচাৰ কৰি কামাখ্যাত ভাৰতীয় সেনাক আক্ৰমণ কৰা বুলি ভুৱা মিছা প্ৰচাৰ কৰা হৈছে। অসমতে নহয় সমগ্ৰ ভাৰতত ভাৰতীয় সেনাক আক্ৰমণ হোৱা নাই যদিও পাকিস্তানৰ পৰা গোকাট মিছা প্ৰচাৰ চলোৱাৰ প্ৰয়াস কৰা হৈছে। পেহেলগাম ঘটনাৰ পিছতে দল, মত, জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে এক হোৱাৰ সময়তে পাকিস্তানে এনেদৰে ভুৱা প্ৰচাৰ কৰিবলৈ আৰম্ভ হৈছে। কিন্তু এনে অপপ্ৰচাৰক গুৰুত্ব দিয়া নাই দেশৰ লোকে। দেশবাসীয়ে এই সময়ত পাকিস্তানক আক্ৰমণ কৰি পেহেলগাম ঘটনাৰ পোটক তুলিবলৈহে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। ইতিমধ্যে অসম আৰক্ষীয়ে অফিচিয়েল পেজত এই সন্দৰ্ভত স্পষ্টীকৰণ দিছে। অসম আৰক্ষীয়ে এটা ফেচবুক পোষ্টত কয় যে গুৱাহাটীৰ কামাখ্যাৰ ওচৰত সেনাৰ কনভয়ৰ ওপৰত আক্ৰমণ সম্পৰ্কে কৰাৰ দাবী সম্পূৰ্ণ মিছা। এইটো ভুল তথ্য বিয়পাই অস্থিৰতা সৃষ্টি কৰাৰ ইচ্ছাকৃত প্ৰয়াস কৰা হৈছে। অসমক লৈ পাকিস্তানী ফেচবুক পেজৰ ভুৱা বাতৰি প্ৰচাৰক লৈ দেশবাসী আৰু অসমবাসী সজাগ হোৱাৰ দৰকাৰ আছে। পাকিস্তানৰ এনে নিকৃষ্ট কাণ্ডক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত আৰক্ষীৰ গুলীত নিহত

গৰজি উঠিল গুৱাহাটী আৰক্ষীৰ বন্দুক। গুৱাহাটী আৰক্ষীৰ বন্দুকৰ পৰা ওলোৱা গুলীত নিহত হৈছে এজন ডকাইতিত অভিযুক্ত যুৱক। গুৱাহাটীত আৰক্ষীৰ গুলীত কেইবাটাও ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযুক্ত ৰণেশ দৈমাৰী ওৰফে ৰাজু নিহত হৈছে। গ্ৰেপ্তাৰৰ পিছতে ৰণেশক লৈ পিষ্টল উদ্ধাৰ কৰিবলৈ যোৱাৰ সময়তে ৰণেশ দৈমাৰীয়ে আৰক্ষীক লক্ষ্য কৰি গুলীচালনা কৰাৰ সময়তে আৰক্ষীয়ে প্ৰত্যুত্তৰ দিয়ে। ফলত শৰীৰত কেইবাটাও গুলী লাগি ঢলি পৰে ৰণেশ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল যদিও প্ৰায় ৬ ঘণ্টাৰ অন্তত আজি আবেলি প্ৰায় ৫ বজাত মৃত্যুক সাবটি লয়। জানিব পৰা মতে, কালি মহানগৰীৰ জালুকবাৰী এলেকাত এক ডকাইতি কাণ্ড সংঘটিত হৈছিল। ৰাজপথত এগৰাকী মহিলাৰ পৰা ডিঙিৰ চেইন টানি নিছিল দুৰ্বৃত্তই। এই কাণ্ডত ৰণেশ দেমাৰী জড়িত থকাৰ তথ্য লাভ কৰি জালুকবাৰী আৰক্ষীয়ে অভিযান চলাইছিল। গুৱাহাটীত আৰক্ষীয়ে ৰণেশক জালত পেলাবলৈ কালিৰে পৰা তীব্ৰ অভিযান আৰম্ভ কৰে। মহানগৰ আৰক্ষীয়ে নিশা ৰণেশক নলবাৰীত গ্ৰেপ্তাৰ কৰে। নিশাই গুৱাহাটীলৈ আনি ডকাইতিত ব্যৱহাৰ কৰা বন্দুক উদ্ধাৰৰ বাবে ৰণেশক লৈ আৰক্ষীৰ দল যায় চচললৈ। চচলত উদ্ধাৰ কৰা পিষ্টলেৰে আৰক্ষীক গুলীয়াই পলায়নৰ প্ৰয়াস কৰাৰ ফলত আৰক্ষীয়ে প্ৰত্যুত্তৰ দি গুলীচালনা কৰিবলগীয়া হোৱা বুলি গুৱাহাটী আৰক্ষীৰ সহঃআয়ুক্ত মৃণাল ডেকাই প্ৰকাশ কৰে। নিশা ভৰিত গুলী লাগি আঘাতপ্ৰাপ্ত হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয় যদিও আবেলি মৃত্যুক আঁকোৱালি লয়। ভিআইপি পথৰ চচলত নিশা ২ বজাত এই এনকাউণ্টাৰৰ ঘটনা সংঘটিত হয়। আৰক্ষী বিষয়া মৃণাল ডেকাই কয় যে আৰক্ষীলৈ প্ৰথমে গুলীয়াইছিল ৰণেশ দৈমাৰীয়ে। চচলত লুকুৱাই ৰখা পিষ্টল দেখুৱাবলৈ নিওঁতে আৰক্ষীলৈ গুলীয়াবলৈ লৈছিল ৰণেশে। তেতিয়াই আৰক্ষীয়ে আত্মৰক্ষাৰ বাবে গুলীয়াবলৈ বাধ্য হয়। ১০ এপ্ৰিলত জে'লৰ পৰা ওলাই আহিছিল ৰণেশ। ১০ এপ্ৰিলত জে'লৰ পৰা ওলাই ১৭ এপ্ৰিলৰ পৰা দিছপুৰৰ ৫ টা স্থানত চুৰি-ডকাইতি কৰিছিল। কালি জালুকবাৰীত চেইন থপিয়াই নিয়া কাণ্ডটো জড়িত আছিল। আন এগৰাকী সহযোগী মহিদুল নামৰ আন এটা ডকাইতক গ্ৰেপ্তাৰ কৰা হৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ ভিন্ন স্থানত চুৰি, ডকাইতি কাণ্ড সংঘটিত কৰি আহিছিল ৰণেশ। ৰাজ্যৰ বিভিন্ন থানাত ১০০ ৰো অধিক গোচৰ আছে ৰণেশৰ বিৰুদ্ধে। পূৰ্বেও ৰণেশ দৈমাৰী ওৰফে ৰাজুক এনকাউণ্টাৰ কৰিছিল মহানগৰ আৰক্ষীয়ে। ৩ ডিচেম্বৰত গ্ৰেপ্তাৰ হোৱাৰ পিছতে আৰক্ষীৰ বেষ্টৰ পৰা পলাবলৈ লওঁতেই যোৰাবাটৰ ১৩ মাইলত গুলীবিদ্ধ হৈছিল। গাড়ী চোৰৰ পৰা অপহৰণৰ দৰে বহু অপৰাধৰ লগত জড়িত থকাৰ অভিযুক্ত। শেহতীয়াকৈ সুন্দৰপুৰৰ চেইন টানি নিয়া ঘটনাৰ লগত জড়িত হৈ আছিল ৰণেশ। দুৰ্ধৰ্ষ ডকাইত বগাৰ লগতো আছিল সম্পৰ্ক ৰমোশৰ। তামুলপুৰ থানাতো আছে গোচৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শীৰ্ষস্থান অবিহনেই ঘোষণা হ'ল উচ্চতৰ

৩,০২,৬১৩ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে ২,৪৭,৪৬২ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। এই বাৰ উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত মুঠ উত্তীৰ্ণৰ হাৰ ৮১.৭৭%। উল্লেখযোগ্য যে এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰৰ সংখ্যাতকৈ ছাত্ৰীৰ সংখ্যা অধিক। জানিব পৰা মতে এই পৰীক্ষাত মুঠ ১,৪৪,৫০২ গৰাকী ছাত্ৰ অৱতীৰ্ণ হোৱাৰ বিপৰীতে মুঠ ১,৬২,৪২৩ গৰাকী ছাত্ৰী অৱতীৰ্ণ হয়। জানিব পৰা মতে, কলা শাখাত আবেদন কৰা মুঠ শিক্ষাৰ্থীৰ সংখ্যা আছিল ২,৩০,০৯০ গৰাকী। অৱশ্যে ইয়াৰে ২,২৬,৭৫৬ গৰাকী পৰীক্ষাৰ্থীহে পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে ১,৮৩,৭৪৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। অৰ্থাৎ কলা শাখাত মুঠ উত্তীৰ্ণৰ হাৰ ৮১.০৩%। ঠিক তেনেকৈ এইবাৰ বিজ্ঞান শাখাত মুঠ ৫৭,৭২৫ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাৰ প-পত্ৰ পূৰণ কৰে যদিও ৫৬,৯০৯ গৰাকী পৰীক্ষাৰ্থীহে পৰীক্ষাত অৱতীৰ্ণ হয়। মুঠ ৪৮,৩০৯ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণৰে বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৮৪.৮৮%। একেদৰে এইবাৰ বাণিজ্য শাখাত মুঠ ১৭,৮৬৯ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাৰ প-পত্ৰ পূৰণ কৰে যদিও ১৭,৭৪৬ গৰাকী পৰীক্ষাৰ্থীহে পৰীক্ষাত উত্তীৰ্ণ হয়। ৮২.১৮% উত্তীৰ্ণৰ হাৰেৰে বাণিজ্য শাখাত ১৪,৫৮৪ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হয়। তেনেদৰে, ভোকেচনেল বা বৃত্তিমূলক শিক্ষাৰ শাখাত মুঠ ১,২৪১ গৰাকী প্ৰাৰ্থীয়ে পৰীক্ষাৰ বাবে আবেদন কৰিছিল যদিও ১,২০২ গৰাকীহে পৰীক্ষাত অৱতীৰ্ণ হয়। এই শাখাত ৮২৪ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণৰে উত্তীৰ্ণৰ হাৰ ৬৮.৫৫%। উল্লেখ্য যে কলা শাখাৰ পৰা প্ৰথম বিভাগত ৪৯৫৭৭ গৰাকী, দ্বিতীয় বিভাগত ৮০৬৫০ গৰাকী আৰু তৃতীয় বিভাগত ৫৩৫১৮ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। বিজ্ঞান শাখাৰ পৰা প্ৰথম বিভাগত ২৫৮২৭ গৰাকী, দ্বিতীয় বিভাগত ১৯২৮৬ গৰাকী আৰু ৩১৯৬ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত ৬৫১৯ গৰাকীয়ে প্ৰথম বিভাগত, ৫৭৬০ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ২৩০৫ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বৃত্তিমূলক শিক্ষাৰ শাখাৰ পৰা প্ৰথম বিভাগত ৬০ গৰাকী, দ্বিতীয় বিভাগত ৪৬৪ গৰাকী আৰু ৩০০ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তেনেদৰে লিংগৰ ভিত্তিত চাবলৈ গ'লে কলা বিভাগত ৭৫,৬০৮ (৭৮.৪৩%) গৰাকী ছাত্ৰ উত্তীৰ্ণ হোৱাৰ বিপৰীতে ১,০৮,১৩৭ (৮২.৯৬%) গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ২৭,৩৪৪ (৮৪.৩৯২%) গৰাকী ছাত্ৰ উত্তীৰ্ণ হোৱাৰ বিপৰীতে ২৪,৫০৮ (৮৫.৫৪৩%) গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। একেদৰে বাণিজ্য শাখাৰ পৰা ১০,২২৩ (৮২.০৮৬%) গৰাকী ছাত্ৰৰ বিপৰীতে ৪,৩৬১ (৮২.৪০৭%) গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। এইবাৰ উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত কলা শাখাত সকলোতকৈ ভাল ফলাফল কৰে বাক্সা জিলাই। বাক্সা জিলাত কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৯৪.২১%। তেনেদৰে বিজ্ঞান শাখাত পশ্চিম কাৰ্বি আংলং জিলাই ১০০% উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থান লাভ কৰে। বাণিজ্য শাখাত ১০০% উত্তীৰ্ণৰে দক্ষিণ শালমাৰা জিলাই শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বাক্সা জিলাত কলা শাখাত মুঠ অৱতীৰ্ণ হোৱা ৪,৬১১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪,৩৩৪ গৰাকী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিজ্ঞান শাখাত পশ্চিম কাৰ্বি আংলং জিলাৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ৪০ জন প্ৰাৰ্থীৰ গোটেইকেইজনেই উত্তীৰ্ণ হয়। তেনেদৰে দক্ষিণ শালমাৰা জিলাৰ পৰা বাণিজ্য শাখাত অৱতীৰ্ণ হোৱা ১১ গৰাকী পৰীক্ষাৰ্থীৰ ১১ গৰাকীয়েই উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। উল্লেখ্য যে পৰীক্ষাৰ্থীসকলে অনলাইনত অৰ্থাৎ শিক্ষা বিভাগৰ প'ৰ্টেলৰ পৰা সংগ্ৰহ কৰা মাৰ্কশ্বীট কেৱল মহাবিদ্যালয়ত নামভৰ্তিৰ উদ্দেশ্যেহে ব্যৱহাৰ কৰিব পাৰিব। শিক্ষা ব'ৰ্ডে প্ৰদান কৰা মূল মাৰ্কশ্বীট নিজ নিজ বিদ্যালয়ৰ পৰা সংগ্ৰহ কৰিব লাগিব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ-পূবৰ ঘাইপথ উন্নয়নৰ বাবে ২২

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত কৰিবলৈ ২২ হাজাৰ কোটি টকা আবন্টন দিয়াৰ সিদ্ধান্ত লৈছে। শিলচৰ আৰু শ্বিলঙৰ মাজত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰিবলৈ ২২ হাজাৰ কোটি টকা ব্যয় কৰিব। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কেন্দ্ৰীয় কেবিনেটে ২২ হাজাৰ কোটি টকা ব্যয়েৰে শ্বিলং আৰু শিলচৰৰ মাজত কৰিড'ৰ ঘাইপথ নিৰ্মাণত অনুমোদন জনোৱা বুলি কয়। অৰ্থনৈতিক বিষয়ৰ কেবিনেট কমিটীয়ে হাইব্ৰিড এনুইটি মোডৰ অধীনত ১৬৬.৮০ কিলোমিটাৰ ৪ লেনৰ গ্ৰীনফিল্ড নিয়ন্ত্ৰিত ঘাইপথৰ উন্নয়ন, তত্ত্বাৱধান আৰু ব্যৱস্থাপনাৰ প্ৰস্তাৱত সন্মতি প্ৰদান কৰে। আজি কেবিনেটে এই ঘোষণা কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। মেঘালয়ৰ শ্বিলঙৰ ওচৰৰ মাওলিংখুঙৰ পৰা অসমৰ শিলচৰৰ ওচৰৰ পঞ্চগ্ৰামলৈ পথটো সম্প্ৰসাৰণ কৰা হ'ব। যাৰ ফলত ১৪৪.৮০ কিলোমিটাৰ মেঘালয়ত আৰু ২২.০০ কিলোমিটাৰ অসমত অন্তৰ্ভুক্ত হ'ব। ৰাষ্ট্ৰীয় ঘাইপথ-০৬ ৰ নতুন কৰিড'ৰৰ লক্ষ্য হৈছে গুৱাহাটী আৰু শিলচৰৰ মাজত যান-বাহনৰ গতি বঢ়োৱা, ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ শক্তিশালী কৰা। এই প্ৰকল্পটোৱে ভ্ৰমণৰ দূৰত্ব আৰু সময় যথেষ্ট পৰিমাণে হ্ৰাস কৰিব। এনেদৰে অঞ্চলটোৰ সামগ্ৰিক বাণিজ্যৰ নেটৱৰ্ক আৰু আন্তঃগাঁথনি উন্নত হ'ব। এই পথ প্ৰকল্পটোৱে স্থানীয় উদ্যোগ, বিশেষকৈ চিমেণ্ট আৰু কয়লা উৎপাদন ক্ষেত্ৰক সহায়ক হ'ব। উত্তৰ-পূবৰ মুখ্য গন্তব্যস্থান গুৱাহাটী, শ্বিলং আৰু শিলচৰ বিমানবন্দৰৰ মাজেৰে সংযোগ কৰি পৰ্যটন খণ্ডক লাভান্বিত কৰিব। উচ্চ গতিৰ কৰিড'ৰে ৰি-ভই, পূব খাচী পাহাৰ, পশ্চিম জয়ন্তীয়া পাহাৰ আৰু মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ আৰু অসমৰ কাছাৰ জিলাক সংযোগ কৰিব। বৰ্তমানৰ ৰাষ্ট্ৰীয় ঘাইপথ-০৬ ৰ যাত্ৰা সহজ আৰু যাত্ৰাৰ সময় হ্ৰাস হব। ঘাইপথ-২৭, ৰাষ্ট্ৰীয় ঘাইপথ-১০৬, ৰাষ্ট্ৰীয় ঘাইপথ-২০৬ আৰু ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ ৰ দৰে মুখ্য ৰাষ্ট্ৰীয় পৰিবহণ কৰিড'ৰৰ সৈতে একত্ৰিত হ'ব। যাৰ দ্বাৰা গুৱাহাটী, শ্বিলং, শিলচৰ, ডিয়েংপাসোহৰ দৰে চহৰসমূহৰ সৈতে সংযোগ নিশ্চিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমিও আমূল তাজা গাখীৰ খাই ডাঙৰ

চৰকাৰী মহিলা কৰ্মচাৰী আৰু আই-মাতৃসকলক অপমান কৰিবলৈও কুণ্ঠাবোধ নকৰা মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। ২৪ ঘণ্টাৰ ভিতৰত অসমৰ আই-মাতৃসকলৰ ওচৰত ক্ষমা খুজিবলৈ কোৱাক লৈ আজি মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা বিৰূপ মন্তব্যৰো তীক্ষ্ন প্ৰত্যুত্তৰ দিয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। হোজাইৰ বিন্নাকান্দিৰ মোৱাঝাৰত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত সভাপতি বৰাই মুখ্যমন্ত্ৰীয়ে 'মই মাৰ গাখীৰ খাই ডাঙৰ-দীঘল হৈছো' বুলি কৰা মন্তব্য সন্দৰ্ভত কয় যে তেৰোঁ মাকৰ গাখীৰ খাইয়েই ডাঙৰ হৈছে। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে কৈছে যে তেওঁ মাকৰ গাখীৰ খাই ডাঙৰ হৈছো। মই কৈছো যে ময়ো আমূল তাজা খাই ডাঙৰ-দীঘল হোৱা নাই। আমিও মাৰ গাখীৰ খায়েই ডাঙৰ হৈছো। গতিকে আমি কালৈকো ভয় কৰা মানুহ নহয়।" মুখ্যমন্ত্ৰীৰ মন্তব্যক উভতি ধৰা ভূপেন কুমাৰ বৰাই এআইইউডিএফৰ বিধায়ক ছিৰাজুদ্দিন আজমলকো তীব্ৰ সমালোচনা কৰে। সমষ্টিত থকাৰ পৰিৱৰ্তে বিধায়কগৰাকী বিদেশতহে বেছিদিন থাকে বুলিও কয় বৰাই। বদৰুদ্দিন আজমলৰ এআইইউডিএফ দলক বিজেপিৰ 'বি' টীম আখ্যা দি তেওঁ কয়, "আজমলৰ দলৰ সৈতে থকা ভিতৰুৱা বুজাবুজিৰে হিমন্ত চৰকাৰ টিকি আছে। বি-টীম দলটোক আঁতৰাই দিলে হিমন্ত চৰকাৰো শেষ হৈ যাব।" বিজেপি চৰকাৰৰ দিনত এটা বিশেষ পৰিয়ালৰ লগতে আজমলৰ পৰিয়ালৰো উন্নতি হৈছে বুলি তেওঁ কয়। বিজেপিৰ 'বি' টীম এআইইউডিএফক উৎখাত কৰি হিমন্ত চৰকাৰকো শিক্ষা দিবৰ বাবে পঞ্চায়ত নিৰ্বাচনেই উপযুক্ত সময় বুলিও কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। ইপিনে আজি ৰাজ্য চৰকাৰে জনসংযোগ বিভাগৰ দ্বাৰা বিষয়টোক লৈ স্পষ্টীকৰণ দিছে। জনসংযোগ বিভাগে জাৰি কৰা এক বিবৃতি যোগে কয় যে অসম লোকসেৱা আয়োগৰ নিযুক্তি প্ৰক্ৰিয়াত কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত সংঘটিত দুৰ্নীতি-অনিয়ম সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে দাখিল কৰা প্ৰতিবেদনত এই কেলেংকাৰিৰ বিভিন্ন দিশ পোহৰলৈ আনিছে। ন্যায়াধীশ শৰ্মা আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হৈছে আৰু সদনত বিস্তৃতভাৱে আলোচনাও হৈছে। প্ৰতিবেদনত একাংশ অভিযুক্তৰ স্বীকাৰোক্তি তথা আন সাক্ষ্যৰ আধাৰত নিযুক্তি প্ৰক্ৰিয়াত ধনৰ ব্যাপক লেনদেনৰ উপৰি একাংশ যুৱতীক বেয়া পথ ল'বলৈ বাধ্য কৰোৱা বুলিও উল্লেখ কৰা হৈছে। এপিএছচিৰ তদানীন্তন অধ্যক্ষ ৰাকেশ পালে একাংশ মহিলা প্ৰাৰ্থীৰ লগত অবৈধ সম্পৰ্ক ৰক্ষা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ লগতে আনকি এই প্ৰসংগতে পালৰ মাতৃয়ে পুত্ৰৰ চৰিত্ৰত পতন হৈছে বুলি মন্তব্য কৰাৰ কথাও উল্লেখ কৰা হৈছে। এনে কাৰণতে ৰাকেশ পালৰ পত্নীয়ে স্বামীৰ পৰা পৃথকে থাকিবলৈ লৈছিল। মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ স্বচ্ছ-নিকা নিযুক্তি প্ৰক্ৰিয়াৰ বিপৰীতে কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত নিযুক্তি প্ৰক্ৰিয়া কেনে ভয়ংকৰ পৰ্যায়লৈ অৱনমিত হৈছিল, সেই সম্পৰ্কে এক মন্তব্য প্ৰকাশ কৰিছিল। অৱশ্যে এই সম্পৰ্কে পূৰ্বে বিধানসভাতো মুখ্যমন্ত্ৰীয়ে বিতং আলোচনা কৰিছিল। কিন্তু মুখ্যমন্ত্ৰীৰ মন্তব্যৰ আলম লৈ কংগ্ৰেছ দলৰ একাংশ নেতাকে ধৰি কোনো কোনোৱে সমগ্ৰ বিষয়টোকে বিকৃতভাৱে ব্যাখ্যা কৰাৰ অপচেষ্টা চলাইছে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিব বিচাৰে যে এপিএছচিৰ নিযুক্তি কেলেংকাৰী সন্দৰ্ভত বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ আধাৰত কংগ্ৰেছ চৰকাৰৰ আমোলত এই নিযুক্তি প্ৰক্ৰিয়াই কেনে জঘন্য পৰ্যায় পাইছিল সেই সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰিছিল আৰু এই বিষয়ে বিধানসভাতো বিস্তৃতভাৱে আলোচনা হৈছিল। তেনেক্ষেত্ৰত আজিৰ পৰ্যায়ত কংগ্ৰেছ বা অন্য পক্ষই মূল প্ৰসংগৰ পৰা আঁতৰি সমগ্ৰ বিষয়টো বিকৃতভাৱে ব্যাখ্যা কৰিবলৈ যোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক আৰু গৰিহণাযোগ্য। এনেদৰে মাতৃ সমাজক অপমান নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় কংগ্ৰেছে।

# উচ্চতৰ মাধ্যমিক পৰীক্ষাত তিনিচুকীয়াৰ সন্তোষজনক ফলাফল

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩০ এপ্ৰিলঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল অনুসৰি তিনিচুকীয়া জিলাৰ ফলাফল সন্তোষজনক বুলিব পাৰি। কলা শাখাত অৱতীৰ্ণ হোৱা জিলাখনৰ ৬১১৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ২০০৬ গৰাকী, দ্বিতীয় বিভাগত ২২৮২ গৰাকী আৰু তৃতীয় বিভাগত ১০৫০ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৭.২৫ শতাংশ। বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ৯৫৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ৪৭২ গৰাকী, দ্বিতীয় বিভাগত ২৫০ গৰাকী আৰু তৃতীয় বিভাগত ৫৯ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮১.৭৮ শতাংশ। সেইদৰে বাণিজ্য শাখাত মুঠ ১৩৭৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত ৩৬০ গৰাকী, দ্বিতীয় বিভাগত ৩০৮ গৰাকী আৰু তৃতীয় বিভাগত ২২৫ গৰাকী উত্তীৰ্ণ হ'য়। উত্তীৰ্ণৰ হাৰ ৬৪.৯৯ শতাংশ। আনহাতে বৃত্তিমুখী শাখা (Vocational) ত তিনিচুকীয়া জিলাৰ পৰা ৩০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। উত্তীৰ্ণ হয় ২৬ গৰাকী। ১৯ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে ৭ গৰাকী উত্তীৰ্ণ হয় তৃতীয় বিভাগত। তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত ৫১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয় ৩৫ গৰাকী পৰীক্ষাৰ্থী। দ্বিতীয় বিভাগ পায় ১৬ গৰাকী পৰীক্ষাৰ্থীয়ে। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ১ গৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন পোৱাৰ বিপৰীতে ৮ গৰাকীয়ে ষ্টাৰ পাবলৈ সক্ষম হয়। বিজ্ঞান শাখাত ২৯ জন পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে প্ৰথম বিভাগত ২১ গৰাকী আৰু দ্বিতীয় বিভাগত ৮ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। বিদ্যালয়খনৰ ২ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন আৰু ষ্টাৰ পাবলৈ সক্ষম হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী চৰকাৰৰ সিদ্ধান্তলৈ সমৰ্থন ৰাহুল

আজি কেবিনেটৰ বৈঠকৰ পিছতে এই সিদ্ধান্তৰ কথা সদৰী কৰে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। কিন্তু এই জাতিগত জনগণনাৰ সিদ্ধান্ত ঘোষণাৰ পিছতে শাসক-বিৰোধীৰ মাজত আৰম্ভ হৈছে কৃতিত্ব দখলৰ যুঁজ। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে দাবী কৰে যে তেওঁ বহু আগতেই সংসদত জাতিগত জনগণনাৰ দাবী উত্থাপন কৰিছিল আৰু এতিয়া সেই দাবী কাৰ্যকৰী হোৱাৰ পথত। তেওঁৰ মতে, কংগ্ৰেছে কেৱল চাপ সৃষ্টি কৰিয়েই নহয়, নিৰ্দিষ্ট পৰিকল্পনাৰ জৰিয়তেও এই যুঁজ আগবঢ়াই নিছিল। নতুন দিল্লীত এক সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ সাংসদগৰাকীয়ে কয়, "মই সংসদত কৈছিলোঁ যে মই জাতিগত জনগণনা কৰিম। একে সময়তে মই এয়াও কৈছিলোঁ যে ৫০ শতাংশ সংৰক্ষণৰ সীমা ভংগ হ'ব। এতিয়া চৰকাৰে সেই পথত আগবাঢ়িছে। আমি এই সিদ্ধান্তক সম্পূৰ্ণৰূপে সমৰ্থন কৰিছো, কিন্তু আমি চৰকাৰৰ পৰা জানিব বিচাৰো- ইয়াৰ বাবে নিৰ্দিষ্ট সময়সীমা কি? স্পষ্ট হওক এই প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ হ'ব, ইয়াক কেনেকৈ কাৰ্যকৰী কৰা হ'ব।" ৰাহুল গান্ধীয়ে লগতে কয় যে চৰকাৰে দীৰ্ঘদিন ধৰি জাতিগত জনগণনাৰ বিৰোধিতা কৰি আহিছে যদিও এনে আকস্মিক সিদ্ধান্তৰ আঁৰত যে ৰাজনৈতিক কাৰণ থাকিব পাৰে সেয়া অস্বীকাৰ কৰিব নোৱাৰি। "আমি এই সিদ্ধান্তক আদৰণি জনাইছো, কিন্তু এয়া যথেষ্ট নহয়। বাজেট আবণ্টন আৰু তাৰিখ এতিয়াই ঘোষণা কৰিব লাগিব।" -ৰাহুল গান্ধীয়ে লগতে কয়। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে এই হিচাপৰ ডিজাইন অতি গুৰুত্বপূৰ্ণ। তেওঁৰ ভাষাত, "এই লোকপিয়ল কেনেকৈ হ'ব সেয়াই আচল বিষয়। তেলেংগানাৰ মডেল এই ক্ষেত্ৰত 'ব্লুপ্ৰিন্ট' হ'ব পাৰে। বিহাৰৰ বাবে এটা মডেল আৰু তেলেংগানাৰ বাবে আন এটা মডেল। দুয়োটাৰ মাজত বৃহৎ পাৰ্থক্য আছে। আমি এই ডিজাইন প্ৰক্ৰিয়াত চৰকাৰৰ সৈতে সহযোগিতা কৰিব বিচাৰো।" ৰাহুল গান্ধীৰ স্পষ্ট বাৰ্তা এই যে এই সিদ্ধান্ত কেৱল চৰকাৰৰ নহয়- এয়া দীৰ্ঘদিনীয়া বিৰোধী আন্দোলন আৰু হেঁচাৰ ফল। তেওঁ সোঁৰৰাই দিয়ে যে কংগ্ৰেছে এই বিষয়ত ধাৰাবাহিকভাৱে সক্ৰিয় হৈ আহিছে। কেৱল ভাষণতেই নহয়, বাস্তৱ ৰাজনীতিতো কংগ্ৰেছ আৰু বিৰোধীয়ে জাতিগত জনগণনাৰ প্ৰসংগ উত্থাপন কৰি আহিছে। তেওঁ কয়, "এতিয়া কেন্দ্ৰীয় চৰকাৰে দেশৰ জনসাধাৰণক অৱগত কৰক- কেতিয়া আৰু কেনেকৈ এই লোকপিয়ল অনুষ্ঠিত হ'ব, আৰু সংৰক্ষণৰ সীমা উঠাবলৈ কেনে প্ৰস্তুতি চলোৱা হৈছে।" প্ৰণিধানযোগ্য যে, কংগ্ৰেছৰ 'ভাৰত জোড়ো' যাত্ৰাৰ সময়তো জাতিগত জনগণনাৰ প্ৰসংগ সজোৰে উত্থাপন কৰিছিল ৰাহুল গান্ধীয়ে। একে সময়তে সংসদত তেওঁ এবাৰ কৈছিল, "মোক উপহাৰ কৰিছে, যিমান মন যায় সিমান উপহাস কৰক। কিন্তু আমি এইখন সদনতে জাতিগত জনগণনা গৃহীত কৰিহে এৰিম।" এতিয়া ৰাহুলৰ এই দাবী বাস্তৱত পৰিণত হোৱা পৰিলক্ষিত হ'ল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মই মাৰ গাখীৰ খাই ডাঙৰ হৈছোঁ!

ৰাজ্যৰ ৰাজনীতি গৰম হৈ পৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মুখ্যমন্ত্ৰীৰ অশালীন মন্তব্যৰ বাবে ২৪ ঘণ্টাৰ ভিতৰত মুখ্যমন্ত্ৰীক ক্ষমা খোজাৰ দাবী জনাইছিল। লগতে থানাই থানাই এজাহাৰ দাখিল কৰাৰ হুংকাৰ প্ৰদান কৰিছে। আজি ভূপেন বৰাক নলবাৰীত প্ৰত্যুত্তৰ দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মন্তব্য বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে কৰিছে। ৰাকেশ পালৰ মাকে কৰিছে। মাকে কৈছে বেয়া কাণ্ড, ঘটনা দেখি মই ঘৰ এৰি দিলো। ৰাকেশ পালক সোণৰ গহনা লৈ কোনে নিযুক্তি দিছিলে তাকো প্ৰতিবেদনত লিখা আছে। কংগ্ৰেছে প্ৰথমে উত্তৰ দিব লাগে যে ৰাকেশ পালক আপোনালোকে এপিএছচিৰ চেয়াৰমেন বনাইছিল। ৰাকেশ পালৰ মাকৰ অভিযোগবোৰ সঁচা নে মিছা। ওলোটাই মোৰ পিনে কাঁড় পোনাই আছে। পাগলা নেকি? মোক ২৪ ঘণ্টা কি সময় দিব। দিব লাগে ন্যায়াধীশ বিপ্লৱ শৰ্মাক। মই নিজৰ কথা কোৱা নাই। বিপ্লৱ শৰ্মা সমিতিৰ ৰিপ'ৰ্টৰ ওপৰত কৈছো। মোক কি সময় দিয়ে। মোক ফাল্টু বুলি ভাবিছে নেকি? মই যেতিয়া কেছ ঢালিম কংগ্ৰেছীবিলাক ক'ত যাব। মই মুখ্যমন্ত্ৰী হয়। নেদেখা কথা, নিলিখা কথা একো নকওঁ। মই কংগ্ৰেছক ভয় নাখাওঁ। মই মাৰ গাখীৰ খাই ডাঙৰ হৈছো। আজি বৰপেটা আৰু নলবাৰী জিলাত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ মুখামুখি হৈ এনেদৰে কংগ্ৰেছক আক্ৰমণ কৰে। নলবাৰী জিলাৰ পশ্চিম নলবাৰীৰ চামতাত স্থানীয় চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত নলবাৰী জিলা বিজেপিৰ উদ্যোগত বিজেপিৰ বিজয় সংকল্প সমাবেশত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰদান কৰি কয় যে অসমত তৰুণ গগৈ চৰকাৰে পোন্ধৰ বছৰ চৰকাৰ চলাইছিল। তৰুণ গগৈ চৰকাৰে আমাক লুঙী, ধুতি, সূতা, আঁঠুৱা কম্বল এই পঞ্চামৃত দিছিল আৰু এইখিনি দিওঁতে দালালে টকা লৈছিল। কংগ্ৰেছে মহিলাসকলক সভালৈ মাতি পাঁচ হাজাৰ মহিলাৰ মাজত দুশ বাণ্ডিল সূতা দলিয়াই দিছিল আৰু মহিলাসকলক ঠগিছিল। এইদৰে কংগ্ৰেছক সমালোচনা কৰাৰ লগতে অৰুণোদয় পাব লাগিলে বিজেপিক ভোট দিব লাগিব বুলিও মন্তব্য কৰে। লুঙী, ধুতি কংগ্ৰেছৰ পাৰ্টিৰ নাম হ'ব লাগে, হাতৰ ছবিৰ পৰিবৰ্তে লুঙীৰ ছবিত কংগ্ৰেছে নিৰ্বাচন খেলিব লাগে বুলি কয়। আগন্তুক দিনত নলবাৰীৰ বৰক্ষেত্ৰী, নলবাৰী আৰু টিহু সমষ্টিত পুনৰ চাৰি হাজাৰ মহিলাক অৰুণোদয় দিয়া হ'ব বুলিও মন্তব্য কৰে। আনহাতে ভাষণ প্ৰসংগত তেওঁ আৰু কয়, এতিয়াৰ পৰা কলেজত বিনামূলীয়া নামভৰ্তিৰ বাবে একো প্ৰমাণ-পত্ৰ নালাগে ৰেচন কাৰ্ড দেখুৱালেই হ'ব। আমি নিযুত মইনা আঁচনি, অৰুণোদয়, বিনামূলীয়া চৰকাৰী আৱাস, এটকাও খৰচ নকৰাকৈ ডেৰলাখ নিবনুৱাক চাকৰি দিছো বুলি কোৱাৰ লগতে এক অক্টোবৰৰ পৰা ৰেচন কাৰ্ডত দাইল, চেনি, নিমখ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। চিলিণ্ডাৰ এহাজাৰৰ পৰিবৰ্তে ৬৫০ টকাত দিয়া হ'ব। উজলা গেছ থকাসকলে ২৫০ টকাত গেছ চিলিণ্ডাৰ পাব বুলিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। জুন মাহত নলবাৰীৰ মহিলাসকলে ১০ হাজাৰকৈ টকা পাব আৰু অহাবাৰ বিজেপিৰ চৰকাৰ আহিলেই মহিলাসকলক মোবাইল ফোন দিম বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। আজিৰ সংকল্প সমাবেশত নলবাৰী জিলাৰ উত্তৰ নলবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী মিনি ডেকা কলিতা, বাঁহজানী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী হিতেশ তালুকদাৰ, পশ্চিম বনভাগ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী হিতেশ ব্ৰহ্ম, ঘগ্ৰাপাৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী ডিম্বেশ্বৰ বেজবৰুৱা, বৰক্ষেত্ৰী পশ্চিম নলবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী নাজিৰুদ্দিন আহমেদ, ধৰ্মপুৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী শেৱালি বৰ্মন, টিহু জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী ৰুবী দাস, মধুপুৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দিলীপ বৰ্মন, বৰভাগ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী গীতুমণি বৈশ্য, মুকালমুৱা জাগাৰা জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দীপ্তি তালুকদাৰ, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী চিমি বৰ্মন আৰু বৰক্ষেত্ৰী চৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী আনোৱাৰা খাতুনক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মঞ্চলৈ উঠাই নি উপস্থিত ৰাইজক চিনাকি কৰাই দিয়াৰ লগতে নিৰ্বাচনত বিজয়ী হোৱাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। ইপিনে পাকিস্তানৰ প্ৰসংগ উল্লেখ কৰি তেওঁ ভাষণত কয়, পাকিস্তানক এশিকনি দিবলৈ আমি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰিব লাগিব। ভাষণত তেওঁ পুনৰ কয়, কংগ্ৰেছৰ দিনত অংগনৱাড়ী পদতো দুই লাখ টকাৰ ঘোচ দিব লাগিছিল আজি চাকৰিৰ নামত টকা ল'ব নোৱাৰা হ'ল। একেদৰে মই প্ৰথমবাৰ মুখ্যমন্ত্ৰী হৈছো, শিকোঁতে বুজোঁতে সময় লাগিল তথাপি প্ৰতিটো মুহূৰ্ত ৰাইজৰ বাবে কাম কৰিছোঁ বুলিও মন্তব্য কৰে হিমন্ত বিশ্ব শৰ্মাই। এইবাৰ যি কৰিছোঁ সেয়া নৃত্য-নাটিকা, আগন্তুক দিনত আচল থিয়েটাৰ দেখুওৱা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, আমি অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়ালোঁ, বিহুক বিশ্বদৰবাৰলৈ নিয়া হ'ল, ঝুমুইৰ বিশ্ব সভালৈ গ'ল, ব্ৰহ্মপুত্ৰত দলং হ'ল। মোৰ চাৰি বছৰীয়া কাৰ্যকাল কংগ্ৰেছৰ পোন্ধৰ বছৰীয়া কাৰ্যকালৰ লগত তুলনাই নহয়। ইপিনে অহা এক অক্টোবৰৰ পৰা অংগনৱাড়ী, আশা, জীৱিকা সখী, টিউটৰ, মধ্যাহ্ন ভোজন ৰান্ধনীৰ দৰমহা বাঢ়িব বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইপিনে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছক তুলাধূনা দি কয় যে কংগ্ৰেছ নিৰ্লজ্জ। মোৰ ওপৰত গোচৰ তৰাৰ আগতে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন পঢ়ক। ৰাকেশ পালৰ মাকৰ সাক্ষ্য প্ৰতিবেদনত উল্লেখ কৰা হৈছে, সেয়া ৰাকেশ পালৰ কু-কীৰ্তি বুলিও মন্তব্য কৰে হিমন্ত বিশ্ব শৰ্মাই।

## মাৰ যোৰা নাই পেহেলগামৰ ঘটনাৰ প্ৰতিক্ৰিয়া, দেশজুৰি বিক্ষোভ

# মৰিগাঁৱৰ ৰাজপথত পাকিস্তানৰ পতাকা

**ই-সংবাদ, মৰিগাঁও, ৩০ এপ্ৰিলঃ** মৰিগাঁও সদৰ থানাৰ সমীপতে আজি দিনৰ ভাগত কোনো অজ্ঞাত লোকে ৰাজপথৰ মাজত পাকিস্তানৰ পতাকাৰ চিত্ৰ অংকিত এখন ফ্লেক্স পাৰি দিয়া ঘটনাই বিশেষ চৰ্চা লাভ কৰিছে। উক্ত ফ্লেক্সখনত পাকিস্তানৰ পতাকাৰ দুখন ছবি থকাৰ লগতে ইংৰাজী আৰু অসমীয়াত 'পাকিস্তান মুৰ্দাবাদ' বুলি লিখা আছে। মৰিগাঁও চহৰৰ অতি ব্যস্ত 'গৌৰৱ পথ'ৰ মাজত এইদৰে উক্ত শেষাংশ ৯ পৃষ্ঠাত

> ‘ব্যস্ত ৰাজপথৰ মাজত ফ্লেক্সত মুদ্ৰিত পাকিস্তানৰ পতাকা’




## পঞ্চায়ত নিৰ্বাচনলৈ লক্ষ্য ৰাখি মৰিগাঁও জিলাত ড্ৰাই ডে’ ঘোষণা

**ই-সংবাদ, লাহৰীঘাট, ৩০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাঁও জিলাত ৫ মে'ৰ বিয়লি ৪.৩০ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৪.৩০ বজালৈ ড্ৰাই ডে' ঘোষণা কৰাৰ লগতে ভোটগণনাৰ বাবে ১১ মে'ৰ দিনটোতো ভোটগণনা শেষ নোহোৱালৈকে মৰিগাঁও জিলাত ড্ৰাই ডে' ঘোষণা কৰা হৈছে। যদি পুনৰ ভোটগ্ৰহণ কৰিবলগীয়া হয়, তেনেহ'লে ৯ মে'ৰ দিনটো ড্ৰাই ডে' হিচাপে ঘোষণা কৰা হৈছে। জিলা আয়ুক্তই জাৰি কৰা নিৰ্দেশ অনুসৰি এই সময়ছোৱাত সকলো পাইকাৰী আৰু খুচুৰা সুৰাৰ বিপণী বন্ধ থাকিব। লগতে সুৰা বিক্ৰীৰ অনুজ্ঞাপ্ৰাপ্ত ক্লাব, হোটেল আদিতো সুৰাৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে।

### নিৰ্বাচনী প্ৰচাৰ সভাত পীযুষৰ অভিযোগ

## ‘টিকটৰ লগত এখন দুৰ্নীতিৰ লাইচেন্স দিছে কংগ্ৰেছে’



**ই-সংবাদ, ৩০ এপ্ৰিলঃ** কংগ্ৰেছ দলে টিকটৰ লগত এখন এখন দুৰ্নীতিৰ লাইচেন্স দি দিছে। সেইবাবে কংগ্ৰেছ দলক আপোনালোকে ভোট নিদিব। কংগ্ৰেছ দলক ভোট দি লাভ নাই। আমি ৰাষ্ট্ৰবাদী মানুহ সেইবাবে আমি শেষাংশ ১৪ পৃষ্ঠাত

# বৰপেটাৰোডৰ সমীপৰ হতাপাৰাত ভয়ংকৰ পথ দুৰ্ঘটনা

**ই-সংবাদ, বৰপেটাৰোড, ৩০ এপ্ৰিলঃ** আজি বৰপেটাৰোডৰ সমীপৰ হতাপাৰাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। চাৰিচকীয়া বাহনৰ খুন্দাত ছিটিকি পৰিল শিশু সন্তানসহ দুই বাইক শেষাংশ ১৪ পৃষ্ঠাত

### গুৰুতৰভাৱে আহত তিনি বছৰীয়া শিশু, মাতৃ

## নলবাৰীতএজাহাৰ বিকৃত ফটো দেখি হাঁহিছে নেটিজেনে

# সাংসদৰ পৰা পত্নীৰ সৈতে গৌৰৱক নিলে পাক্ সীমান্তলৈ




পাঞ্জাৱৰ আট্টাৰী সীমান্তেৰে পাকিস্তানত প্ৰৱেশ কৰিছিল সাংসদ গৌৰৱ গগৈ : মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা কৰিছে প্ৰথমটো বিশ্বস্ত তথ্য

**ই-সংবাদ, ৩০ এপ্ৰিলঃ** যোৰহাটৰ সাংসদ গৌৰৱ গগৈ আৰু পত্নী এলিজাবেথৰ এখন সম্পাদিত ফটো সামাজিক মাধ্যমত ব্যাপক হাৰত প্ৰচাৰ কৰি থকা হৈছে, যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গৌৰৱ গগৈ আৰু পত্নী এলিজাবেথে সংসদ ভৱনত তোলা এখন ফটো সম্পাদিত কৰা হৈছে। ফটোখন সম্পাদনা কৰি পাকিস্তানৰ জন্মাদাতা মহম্মদ আলী জিন্নাৰ ফটো লাগি থকা এখন অজ্ঞাত গেটৰ সন্মুখত থিয় দি থকা বুলি একাংশ বিজেপিৰ নেতা-কৰ্মীয়ে বুজাব বিচাৰিছে যে গৌৰৱ গগৈয়ে পত্নীৰ সৈতে পাকিস্তানলৈ গৈ ফটো তুলিছে। কিন্তু কোৱা বাহুল্য যে পাকিস্তানৰ গেটখনৰ শেষাংশ ৯ পৃষ্ঠাত

> বিকৃত ফটোক লৈ প্ৰতিক্ৰিয়া

# সমুখ সমৰত বিজেপি-কংগ্ৰেছ

### কগ্ৰেছৰ সংবাদমেল

**ই-সংবাদ, ডিফু ৩০ এপ্ৰিলঃ** বুধবাৰে দিনৰ ১২ মান বজাত ডিফুস্থিত জিলা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত কাৰ্বি আংলং জিলা কংগ্ৰেছে এক সংবাদমেলৰ আয়োজন কৰে। সংবাদমেল সম্বোধন কৰি জিলা কংগ্ৰেছৰ নেতৃবৰ্গই তুলিৰাম ৰংহাং নেতৃত্বাধীন শাসকীয় বিজেপি দলৰ বিয়াগোম দুৰ্নীতিৰ শেষাংশ ৯ পৃষ্ঠাত



## শতাধিক কৰ্মীৰ কংগ্ৰেছত যোগদান

# বাইগৰমাৰীত কংগ্ৰেছৰ নিৰ্বাচনী সভা

**ই-সংবাদ, খাৰুপেটীয়া, ৩০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন যিমানে চমু চাপি আহিছে সিমানে বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলে তীব্ৰ নিৰ্বাচনী প্ৰচাৰ চলাই থকা দেখা গৈছে। ফকিৰপাৰা-বলোগড়া মণ্ডল কংগ্ৰেছ কমিটীৰ উদ্যোগত দৰঙৰ দলগাঁও সমষ্টিৰ নৱগঠিত ফকিৰপাৰা-বলোগড়া গাঁও শেষাংশ ১৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত হ'ব 'জাতি জনগণনা'

সিদ্ধান্ত গ্ৰহণ কৰিলে কেন্দ্ৰীয় চৰকাৰে। বুধবাৰে কেন্দ্ৰীয় কেবিনেটৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত পৰৱৰ্তী ৰাষ্ট্ৰীয় লোকপিয়লৰ অংশ হিচাপে জাতি জনগণনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে মোদী চৰকাৰে। বৈঠকৰ অন্তত এই সিদ্ধান্তৰ বিষয়ে জানিবলৈ দিয়ে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। বিৰোধীৰ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত সমীক্ষাক তীব্ৰ সমালোচনা কৰি তেওঁ কয়, "বহু বছৰ ধৰি জাতি জনগণনাক লৈ অনিশ্চয়তা আছিল। এইবাৰ চৰকাৰে স্থায়ী সমাধান আনিছে। এতিয়া আৰু ৰাজ্যভিত্তিক বিভাজন নহ'ব, লোকপিয়লৰ সৈতে ৰাষ্ট্ৰীয় পৰ্যায়ত একেলগে জাতি জনগণনা কৰা হ'ব।" অশ্বিনী বৈষ্ণৱে কয়, "আজি ৰাজনৈতিক পৰিক্ৰমা কেবিনেট কমিটীয়ে সিদ্ধান্ত লৈছে যে আগন্তুক লোকপিয়লৰ অংশ হিচাপে জাতি গণনা অন্তৰ্ভুক্ত কৰা হ'ব। এই বিষয়টো দীৰ্ঘদিন ধৰি ৰাজনৈতিক বিতৰ্কৰ কেন্দ্ৰবিন্দুত আছে। কোনোবাই স্বচ্ছভাৱে কৰিছিল, কোনোবাই কেৱল ভোটৰ ৰাজনীতিৰ বাবেই কৰিছিল। এতিয়াৰ পৰা ই কেন্দ্ৰীয় নিয়ন্ত্ৰণত থাকিব।" তেওঁ কংগ্ৰেছক আক্ৰমণ কৰি কয়, "২০১০ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙে নিজেই কৈছিল যে জাতি জনগণনাৰ বিষয়টো মন্ত্ৰীসভাত বিবেচনাৰ যোগ্য। সেই সময়ত মন্ত্ৰীৰ এটা দলো গঠন কৰা হৈছিল যদিও কংগ্ৰেছে এই সিদ্ধান্ত কেতিয়াও কাৰ্যকৰী কৰা নাছিল। তেওঁলোকে জাতিভিত্তিক তথ্য ওলোৱাটো নিবিচাৰে। তথাপিও আজি তেওঁলোকেই জাতি জনগণনাৰ দাবী জনাই আহিছে।" তেওঁ আৰু কয়, "তেলেংগানা আৰু কৰ্ণাটকৰ দৰে ৰাজ্যত ৰাজনৈতিক উদ্দেশ্যত, কোনো স্বচ্ছতা নোহোৱাকৈ জাতি জৰীপ কৰা হৈছে। ইয়াৰ ফলত সমাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। যাতে আমাৰ সামাজিক বান্ধোনবোৰ ৰাজনীতিৰ বলি নহয়, জাতি জনগণনা দেশৰ মূল লোকপিয়ল প্ৰক্ৰিয়াৰ জৰিয়তেহে কৰা হ'ব, জৰীপ হিচাপে নহয়।" উল্লেখ্য যে, ভাৰতীয় সংবিধানৰ ২৪৬ নং অনুচ্ছেদ অনুসৰি সপ্তম অনুসূচীৰ ৬৯নং ধাৰাত লোকপিয়লৰ বিষয়টো কেন্দ্ৰীয় তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয়। অশ্বিনী বৈষ্ণৱেও সেই আইনী ভিত্তিৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, "যদিও কিছুমান ৰাজ্যই জাতিগত জৰীপ কৰিছে, তথাপিও ইয়াৰ পদ্ধতি আৰু ফলাফলত বৃহৎ অমিল দেখা গৈছে। ক'ৰবাত স্বচ্ছতা আছিল, ক'ৰবাত সেয়া আছিল মাথোঁ ৰাজনৈতিক কৌশল। সেই বৈষম্যই সামাজিক মৰ্যাদা ধ্বংস কৰিব পাৰে। সেয়েহে কেন্দ্ৰীয়ভাৱে, স্বচ্ছভাৱে জাতিগত লোকপিয়ল চলোৱাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ জৰিয়তে আৰ্থ-সামাজিক নীতিৰ ভেটি শক্তিশালী কৰা হ'ব।" ইফালে, কেন্দ্ৰৰ এই ঘোষণাক কেন্দ্ৰ কৰি সমগ্ৰ দেশৰ ৰাজনীতি পুনৰবাৰ উত্তপ্ত হৈ পৰিছে। কংগ্ৰেছ, আৰজেডি, এছপি, বিহাৰ চৰকাৰকে ধৰি একাংশ বিৰোধী দলে এই সিদ্ধান্তক আদৰণি জনোৱাৰ বিপৰীতে এই তথ্য ব্যৱহাৰৰ উদ্দেশ্যক লৈও সন্দেহ প্ৰকাশ কৰিছে। বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে এই সিদ্ধান্তক "ঐতিহাসিক" বুলি অভিহিত কৰে। পাটনাত এক সংবাদমেলত তেওঁ কয় যে নৰেন্দ্ৰ মোদীয়ে দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিছে। এয়া পিছপৰা জনগোষ্ঠীৰ বাবে ন্যায়ৰ এক নতুন আৰম্ভণি। এই সিদ্ধান্তৰ জৰিয়তে বিহাৰত জাতিভিত্তিক ভোট বেংকৰ গুৰুত্ব কেন্দ্ৰই কাৰ্যকৰীভাৱে স্বীকাৰ কৰিছে বুলিও তেওঁ দাবী কৰে। ইফালে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কয়, "আমি বাৰে বাৰে জাতি লোকপিয়লৰ দাবী জনাই আহিছো। আজি যদি চৰকাৰে কোনো সিদ্ধান্ত লৈছে তেন্তে সেয়া নিশ্চয় আদৰণীয়। কিন্তু ইমান দেৰি কিয়? এই তথ্য ৰাজনৈতিক অস্ত্ৰলৈ পৰিণত কৰা উচিত নহয়, বৰঞ্চ সাংবিধানিক নীতিৰ ভিত্তিত ব্যৱহাৰ কৰা উচিত।" জাতি জনগণনাক লৈ চৰকাৰৰ সদিচ্ছাক লৈ সন্দেহ ব্যক্ত কৰে ৰমেশে। এখে সময়তে আৰজেডি নেতা তেজস্বী যাদৱে বিজেপিক স্পষ্ট সকীয়নি প্ৰদান কৰি কয়, "জাতি জনগণনা গুৰুত্বপূৰ্ণ, কিন্তু আমি চকু মেলি ৰাখিম। বিজেপিয়ে এই তথ্য বিভাজনকাৰী ৰাজনীতিৰ বাবে ব্যৱহাৰ কৰা উচিত নহয়।" সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে কয়, "এই সিদ্ধান্ত ইণ্ডিয়া মিত্ৰজোঁটৰ অবিৰত আন্দোলনৰ ফল। এতিয়া এই হিচাপৰ ভিত্তিত বাজেট, শিক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত পিছপৰা জনগোষ্ঠীৰ বাবে সুবিধা নিশ্চিত কৰিব লাগিব।" উল্লেখ্য যে, ২০১১ চনৰ আৰ্থ-সামাজিক আৰু জাতি লোকপিয়লত আংশিক তথ্য সংগ্ৰহ কৰা হৈছিল যদিও ৰাজনৈতিক কাৰণত প্ৰকাশ হোৱা নাছিল। আৰু ১৯৩১ চনত ব্ৰিটিছ শাসনৰ পিছৰে পৰা বৰ্ণগত তথ্য ইমান বৃহৎ পৰিসৰত সংগ্ৰহ কৰা হোৱা নাই। সেই স্থানত এইবাৰ কেন্দ্ৰৰ অধীনস্থ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্তৰ তত্বাৱধানত জনগোষ্ঠীয় তথ্য সংগ্ৰহ, বিতৰণ, আৰু কেন্দ্ৰীয় লোকপিয়লৰ জৰিয়তে ব্যৱহাৰ কৰা হ'ব। অন্যহাতে তথ্য সংগ্ৰহ আৰম্ভ হ'লেই সংৰক্ষণ নীতি, শিক্ষা নীতি, ৱাৰ্ড আৰু পঞ্চায়ত পৰ্যায়ত পুঁজি আবণ্টন, সংৰক্ষণৰ হাৰৰ পুনৰ মূল্যায়ন আদি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ভিত্তি গঠন হ'ব বুলি আশা কৰা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত এই সিদ্ধান্ত কিমান ফলপ্ৰসূ হ'ব সেয়া নিৰ্ভৰ কৰিব চৰকাৰে এই প্ৰক্ৰিয়াটো কিমান স্বচ্ছ আৰু নিৰপেক্ষভাৱে ৰূপায়ণ কৰিব পাৰে তাৰ ওপৰত। প্ৰণিধানযোগ্য যে, 'ভাৰত জোড়ো' আন্দোলনৰ সময়ৰ পৰাই ৰাহুল গান্ধীয়ে জাতি জনগণনাৰ দাবী কৰি আহিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কলকাতাৰ অগ্নিকাণ্ডত ১৪ জনৰ মৃত্যু

মৃত্যুক সাৱটিলে ১৪ জনকৈ লোকে। পশ্চিমবংগৰ মধ্য কলকাতাৰ ফালপট্টি মাচুয়া অঞ্চলৰ এখন হোটেলত সংঘটিত হোৱা অগ্নিকাণ্ডত আহত হয় কমেও ১৩ জন লোক। আৰক্ষীয়ে জনোৱা মতে, মঙলবাৰে সন্ধিয়া প্ৰায় ৭:৩০ বজাত ঋতুৰাজ হোটেলত অগ্নিকাণ্ড সংঘটিত হয়। দহখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী প্ৰেৰণ কৰি জুই নিৰ্বাপন কৰা হয়। দহ ঘণ্টীয়া প্ৰচেষ্টাৰ অন্তত বুধবাৰে পুৱা জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয় অগ্নিনিৰ্বাপক বাহিনীয়ে। অৱশ্যে এই অগ্নিকাণ্ডৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। কলকাতা আৰক্ষীৰ ফৰেনছিক বিভাগে সেই স্থান পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে। কলকাতা আৰক্ষী আয়ুক্ত মনোজ কুমাৰ বাৰ্মাই জনোৱা মতে, ঘটনাৰ সময়ত হোটেলখনৰ ৪২টা কোঠাত মুঠ ৮৮জন অতিথি আছিল। নিহতসকলৰ ভিতৰত আছে এটি শিশু, এগৰাকী কিশোৰী আৰু এগৰাকী মহিলা। আতংকিত হৈ হোটেলৰ পৰা জপিয়াই মৃত্যু হয় আন এজন কৰ্মচাৰীৰ। সমগ্ৰ অঞ্চলটো ঘেৰাও কৰি বিশেষ তদন্ত সমিতি গঠন কৰা হৈছে বুলি কলকাতা আৰক্ষীয়ে জানিবলৈ দিয়ে। ঘটনাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটাৰ (পূৰ্বৰ এক্স) যোগে শোক প্ৰকাশ কৰে। তেওঁ লিখিছে, "কলকাতাৰ অগ্নিকাণ্ডত মৃত্যু হোৱাত মই গভীৰভাৱে দুখী। যিসকলে আপোনজনক হেৰুৱাইছে তেওঁলোকৰ প্ৰতি মোৰ সমবেদনা। আহতসকলৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছো।" প্ৰধানমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা মৃতকৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰি কয় যে তেওঁ গোটেইটো নিশা উদ্ধাৰ আৰু অগ্নিনিৰ্বাপক অভিযানৰ ওপৰত নজৰ ৰাখিছিল। হোটেলখনৰ ভিতৰত জ্বলনশীল সামগ্ৰী জমা হৈ থকাৰ বাবে মুঠ ১৪জন লোকৰ মৃত্যু হৈছে বুলিও তেওঁ কয়। "সম্পূৰ্ণ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। মৃতকৰ পৰিয়াললৈ মোৰ সমবেদনা জ্ঞাপন কৰিছো।"- মমতাই কয়। ঘটনাৰ পিছতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে কলকাতা পৌৰ নিগমৰ মেয়ৰ ফিৰহাদ হাকিম আৰু আৰক্ষী আয়ুক্ত মনোজ বাৰ্মা ঘটনাস্থলীলৈ যায়। আনহাতে বিজেপিৰ ৰাজ্যিক সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সুকান্ত মজুমদাৰে ৰাজ্য প্ৰশাসনক দোষাৰোপ কৰি কয় যে, "অগ্নিনিৰ্বাপক ব্যৱস্থাৰ কঠোৰ নিৰীক্ষণৰ অভাৱৰ বাবেই এই দুৰ্যোগৰ সৃষ্টি হৈছে। ভৱিষ্যতে যাতে পুনৰ এনে নহয় তাৰ বাবে এতিয়াই ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।" প্ৰদেশ কংগ্ৰেছৰ সভাপতি শুভাংকৰ সৰকাৰেও কলকাতা পৌৰ নিগমৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে, "এয়া একেবাৰে লজ্জাজনক কাণ্ড। নিৰাপত্তা নাছিল। কলকাতা নিগমে কি কৰিছে মই নাজানো।" আহতসকলক কলকাতাৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। তদন্তৰ পিছতহে সঠিকভাৱে স্পষ্ট হ'ব যে জুই কেনেকৈ বিয়পি পৰিল আৰু কিয় দুৰ্যোগ ইমান বৃহৎ হৈ পৰিল। এই দুৰ্ঘটনাই সমগ্ৰ দেশতে শোকৰ ছাঁ পেলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৭ বছৰৰ অন্তত নিৰাপত্তা উপদেষ্টা

মাজতে পুনৰ গঠন কৰা হ'ল ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা পৰিষদ। নিৰাপত্তা সম্পৰ্কীয় বৈঠকৰ পিছতে সাত বছৰৰ পিছত নিৰাপত্তা উপদেষ্টা পৰিষদ পুনৰ গঠন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে। উল্লেখ্য যে, এই ছয়জনীয়া নতুন সমিতিখনৰ নেতৃত্ব দিব চোৰাংচোৰা সংস্থা 'ৰ''ৰ প্ৰাক্তন সঞ্চালক আলোক যোশীয়ে। প্ৰতিৰক্ষা বিশেষজ্ঞসকলৰ মতে পৰিস্থিতিৰ গুৰুত্বৰ কথা মনত ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। অন্যহাতে, এই পৰিষদৰ সদস্যসকলৰ ভিতৰত আছে দেশৰ প্ৰাক্তন শীৰ্ষ সামৰিক আৰু কূটনৈতিক বিষয়াসকলো। ভাৰতীয় বায়ুসেনাৰ পশ্চিম কমাণ্ডৰ প্ৰাক্তন মুৰব্বী এয়াৰ মাৰ্শ্বাল (অৱসৰপ্ৰাপ্ত) পি এম সিং, ভাৰতীয় সেনাৰ দক্ষিণ কমাণ্ডৰ প্ৰাক্তন লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) এ কে সিং, ভাৰতীয় নৌসেনাৰ প্ৰাক্তন ৰিয়াৰ এডমিৰেল মন্টি খান্নাক এই পৰিষদত অন্তৰ্ভুক্ত কৰা হৈছে। একে সময়তে প্ৰাক্তন কূটনীতিবিদ বি ভেংকটেশ বাৰ্মাকো এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও আইপিএছৰ দুজন প্ৰাক্তন বিষয়া ৰাজীৱ ৰঞ্জন বাৰ্মা আৰু মনমোহন সিঙকো এই পৰিষদত অন্তৰ্ভুক্ত কৰা হৈছে। আলোক যোশীৰ নেতৃত্বত গঠিত এই পৰিষদৰ কাম হ'ব ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সৈতে জড়িত সকলো দিশ বিশ্লেষণ কৰি ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালক পৰামৰ্শ দিয়া। উল্লেখ্য যে, ২০১৮ চনৰ পিছত এই পৰামৰ্শদাতা সমিতিখন প্ৰথমবাৰৰ বাবে পুনৰ গঠন কৰা হৈছে। চৰকাৰী সূত্ৰৰ মতে, সন্ত্ৰাসবাদৰ ভাবুকি, কাশ্মীৰৰ পৰিস্থিতি আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ উত্তেজনাৰ কথা মনত ৰাখি এই উচ্চ পৰ্যায়ৰ নিৰাপত্তা উপদেষ্টা পৰিষদৰ পুনৰ্গঠনৰ সিদ্ধান্ত লোৱা হৈছে। মন কৰিবলগীয়া যে, মঙলবাৰে পেহেলগামত ২৫ জন পৰ্যটক আৰু এজন স্থানীয় লোকৰ নিৰ্মম হত্যাকাণ্ডই সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। এতিয়ালৈকে কোনো উগ্ৰপন্থীক কৰায়ত্ত কৰা হোৱা নাই। অৱশ্যে জম্মু-কাশ্মীৰৰ বিভিন্ন অঞ্চলত সামৰিক অভিযান চলি আছে। তদন্তত পাকিস্তানী ঘাটিত আত্মগোপন কৰি থকা লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠন 'দ্য ৰেজিষ্টেন্স ফ্ৰন্ট' (টিআৰএফ)ৰ নাম পোহৰলৈ আহিছে। নতুন দিল্লীয়ে দাবী কৰিছে যে এই আক্ৰমণৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আছে পাকিস্তান। সেই প্ৰেক্ষাপটত মঙলবাৰে প্ৰধানমন্ত্ৰীয়ে নিজৰ বাসগৃহত এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰে। সেনা, বায়ুসেনা আৰু নৌসেনাৰ শীৰ্ষ বিষয়াসকলৰ লগতে প্ৰতিৰক্ষা আৰু গৃহ মন্ত্ৰালয়ৰ উচ্চ পদস্থ আমোলাসকলো উপস্থিত থাকে। তাতে মোদীয়ে সেনাবাহিনীক পৰৱৰ্তী পদক্ষেপ ল'বলৈ "সম্পূৰ্ণ স্বাধীনতা" প্ৰদান কৰে। পিছদিনা অৰ্থাৎ বুধবাৰে নিৰাপত্তা সম্পৰ্কীয় কেবিনেট কমিটীৰ বিশেষ বৈঠক অনুষ্ঠিত হয়। মুঠতে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদ পুনৰ গঠন কৰি কেন্দ্ৰই যেন এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে- কাশ্মীৰৰ পৰিস্থিতি আৰু ৰাজনৈতিক আলোচনাৰ স্তৰতে সীমাবদ্ধ নাথাকিব, এইবাৰ দিল্লীয়ে কঠোৰ পথ গ্ৰহণ কৰিব। ইফালে, সীমান্তত বাৰে বাৰে যুদ্ধবিৰতি উলংঘা কৰিছে পাকিস্তানে।

# পঞ্চায়ত নিৰ্বাচনৰ পিছতে অন্য দললৈ যাব প্ৰদ্যুৎ বৰদলৈঃ দাবী আক্ৰমণকাৰী ইমদাদুলৰ

**ই-সংবাদ, বেৰেজীয়া, ৩০ এপ্ৰিলঃ** সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৰামণি বৰাৰ আক্ৰমণৰ ঘটনাত জড়িত মূল অভিযুক্ত তথা প্ৰাক্তন কংগ্ৰেছ নেতা ইমদাদুল ইছলাম যোৱানিশা বটদ্ৰৱা আৰক্ষীৰ জালত পৰে। আৰক্ষীৰ কঠোৰ তৎপৰতাৰ বাবেই আটক হোৱা ইমদাদুল ইছলামক পিছত মাজ নিশা বটদ্ৰৱা থানালৈ অনা হয়। ধিং সমষ্টিৰ ডুমডুমীয়াত যোৱা ২৭ এপ্ৰিলত সংঘটিত আক্ৰমণ কাণ্ডত ইমদাদুল ইছলামে ব্যৱহাৰ কৰা এ এছ-০১-এফ এছ ১৫১০ নম্বৰৰ বাহনখন কালি নিশা বটদ্ৰৱা আৰক্ষীয়ে জব্দ কৰিছিল। পৰৱৰ্তী সময়ত ইমদাদুল ইছলাম বটদ্ৰৱা আৰক্ষীৰ জালত পৰে। ইফালে, ডুমডুমীয়া কাণ্ড সংঘটিত কৰাৰ পিছত ইমদাদুল ইছলামে লাহৰীঘাটৰ বিধায়ক আছিফ নাজাৰৰ বাসগৃহত আশ্ৰয় লোৱাৰ সন্দেহ কৰি বিগত সময়ছোৱাত নগাঁও আৰক্ষীৰ বৃহৎ এটা দল উপস্থিত হৈছিল বিধায়ক আছিফ নাজাৰৰ বাসগৃহত। উল্লেখ্য যে বিধায়ক আছিফ নাজাৰ আৰু সাংসদ গৌৰৱ গগৈৰ অতিকৈ ঘনিষ্ঠ এই ইমদাদুল ইছলাম। কালি দিনৰ ভাগত আৰক্ষীয়ে আইজুল হক নামৰ এজনকো ভূৰাগাঁৱৰ পৰা আটক কৰিছিল। ইপিনে, আজি দিনৰ ভাগত ঘটনাৰ মূল নায়ক ইমদাদুল ইছলামে সাংবাদিকৰ সন্মুখত বিস্ফোৰক মন্তব্য কৰে। তেওঁ পঞ্চায়ত নিৰ্বাচনৰ পিছতেই সাংসদ প্ৰদ্যুৎ বৰদলৈ অন্য দললৈ যাব বুলি মন্তব্য কৰি সাংসদ প্ৰদ্যুৎ বৰদলৈৰ চক্ৰান্তৰ বলি হোৱা বুলি ক্ষোভ প্ৰকাশ কৰি লগতে কয় যে মই প্ৰদ্যুৎ বৰদলৈৰ বাবে তিনিবাৰকৈ জে'ললৈ যাবলগীয়া হ'ল। লগতে ভয়ংকৰ অভিযোগ তুলি প্ৰাক্তন কংগ্ৰেছী নেতা ইমদাদুল ইছলামে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে ধনৰ বিনিময়ত টিকট বিক্ৰী কৰাৰ অভিযোগ তুলি ধন লৈ প্ৰদ্যুৎ বৰদলৈয়ে বিজেপি, এ আই ইউ ডি এফ দলৰ লোকক পঞ্চায়তৰ টিকট প্ৰদান কৰা বুলি প্ৰকাশ কৰে। জাগীৰোডৰ এন আই এফ হোটেলত আলোচনা কৰি গুৱাহাটিত ৮ লাখ টকা লোৱাৰ অভিযোগ তুলিলে সাংসদ প্ৰদ্যুৎ বৰদলৈৰ বিৰুদ্ধে। সি যি নহওক, পঞ্চায়ত নিৰ্বাচনৰ ভৰপক সময়ত সাংসদ প্ৰদ্যুৎ বৰদলৈৰ বিৰুদ্ধে উত্থাপিত এনে অভিযোগে ৰাজনৈতিক মহলত চৰ্চা লাভ কৰিছে।

# উচ্চতৰ মাধ্যমিক পৰীক্ষাত গোৱালপাৰাৰ শ্বাহিলৰ অনন্য কৃতিত্ব

**ই-সংবাদ, গোৱালপাৰা, ৩০ এপ্ৰিলঃ** ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলত গোৱালপাৰা জিলাৰ গৰিমা বঢ়াই বিজ্ঞান শাখাত ৰাজ্যৰ শীৰ্ষস্থান লাভ কৰিছে ভালুকডুবীৰ ছায়েন্স ভিজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ শ্বাহিল ছিদ্দিকিয়ে। তেওঁ ৯৮.২ শতাংশ নম্বৰ লাভ কৰি সমগ্ৰ অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। তেওঁৰ এই চমকপ্ৰদ ফলাফল গোৱালপাৰা জিলাৰ লগতে সমগ্ৰ ৰাজ্যবাসীৰ বাবে এক উৎসাহৰ খবৰ হৈ পৰিছে। ফলাফল প্ৰকাশ হোৱাৰ লগে লগে বিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। শিক্ষক-শিক্ষয়িত্ৰী, সহপাঠী, অভিভাৱকসকল আৰু স্থানীয় লোকসকলে শ্বাহিলৰ এই সফলতাক গভীৰ আনন্দ আৰু গৰ্বৰে উদযাপন কৰে। বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এক বিশেষ সভাত শ্বাহিলক সংবৰ্ধনা জনোৱা হয়, য'ত বিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰে। লগতে তেওঁৰ শিক্ষাগুৰুৱে শ্বাহিলৰ এই সাফল্য আমাৰ বিদ্যালয়ৰ বাবে এক নতুন ইতিহাস। তেওঁৰ অধ্যৱসায়, শৃংখলা সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এক অনুকৰণীয় উদাহৰণ। আমি গৰ্বিত যে শ্বাহিলৰ দৰে ছাত্ৰ আমাৰ বিদ্যালয়ত আছে। শ্বাহিল ছিদ্দিকিয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত কয়, এই সফলতাৰ পিছত মোৰ পৰিয়ালৰ অৱদান অপৰিসীম। মা-দেউতাৰ সহায়, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিৰন্তৰ উৎসাহ আৰু বিদ্যালয়ৰ অনুকূল পৰিৱেশেই মোক এই স্থানত উপনীত হ'বলৈ সহায় কৰিছে। তেওঁ লগতে কয়, ভৱিষ্যতে মই সমাজৰ বাবে ইতিবাচক কিছু কৰি দেখুৱাব বিচাৰো। তেওঁৰ এই সফলতাই গোৱালপাৰাৰ শিক্ষাক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিছে। বিশেষকৈ বিজ্ঞান শাখাত শিক্ষাৰ মান উন্নীত কৰাৰ ক্ষেত্ৰত এই ধৰণৰ সফলতাই অঞ্চলটোৰ নতুন প্ৰজন্মক আগবাঢ়িবলৈ উৎসাহিত কৰিব বুলি বহু অভিভাৱকে মত প্ৰকাশ কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সাংসদৰ পৰা পত্নীৰ সৈতে গৌৰৱক

ফটো আছিল বহু পুৰণি। আনহাতে গৌৰৱ গগৈ আৰু পত্নীৰ ফটোখন আছিল ফুল এইচডি। কোনো কাৰণত গেটখন আৰু গৌৰৱ গগৈ আৰু পত্নীৰ সৈতে মিল নাছিল। সহজতে গম পায় যে সেই ফটোখন সম্পাদনা কৰা হৈছে। সেই ফটোখন দেখি একাংশ লোকে হাঃ হাঃ ৰিয়েক্ট কৰা পৰিলক্ষিত কৰা হৈছে। একাংশ লোকে কৈছে যে যদি সম্পাদনা কৰিবলগীয়াই আছে তেন্তে ভালকৈ কৰিব লাগিছিল। কিন্তু ইমান দুৰ্বল সম্পাদনা কৰিছে যে ফটোখন দেখিলেই ধৰিব পাৰিব। ইপিনে কংগ্ৰেছে আজি নলবাৰীত এই কাণ্ডৰ তদন্ত দাবী কৰি নলবাৰীত এজাহাৰ দাখিল কৰিছে কংগ্ৰেছে। সামাজিক মাধ্যমত ভুৱা প্ৰচাৰ কৰা কিছু ব্যক্তিৰ বিৰুদ্ধে নলবাৰী সদৰ থানাত গোচৰ ৰুজু কৰিছে। প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ ঋতুপৰ্ণ কোঁৱৰে সামাজিক মাধ্যম যোগে এই বিষয়ত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কংগ্ৰেছ নেতা ঋতুপৰ্ণ কোঁৱৰে কয় যে মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বিধায়ক দিগন্ত কলিতাই যোৱা ২৮ এপ্ৰিলত সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ বিতং বিৱৰণ সামাজিক মাধ্যমত আপলোড কৰি এঘণ্টাৰ ভিতৰতে উঠাই ল'বলৈ বাধ্য হোৱাৰ পিছত আজি তেওঁলোকৰ অপপ্ৰচাৰ চলোৱা ইকো ছিষ্টেমটোৱে পুনৰ সাংসদ গগৈ আৰু তেওঁৰ পৰিবাৰৰ এখন ফটো এডিট বা মৰ্ফ কৰি ভাৰত-পাকিস্তান সীমান্তৰ আট্টাৰী সীমান্তত দুয়োগৰাকী উপস্থিত আছিল বুলি অপপ্ৰচাৰ চলাইছে। মুঠতে মুখ্যমন্ত্ৰীৰ পৰ কেন্দ্ৰীয় মন্ত্ৰী, মন্ত্ৰী, বিধায়ক, নেতাই মাথোঁ ভাষণতেই নহয়, ১৫০০ টকীয়া সকলেও যোৱা ৩/৪ মাহ মাথোঁ শয়নে-সপোনে সাংসদগৰাকীৰ বিৰুদ্ধে অপপ্ৰচাৰ আৰু ফটো মৰ্ফ আৰু ফটো এডিট কৰি বিকৃতভাৱে ৰাইজৰ সন্মুখত উপস্থাপন কৰাত ব্যস্ত। মুঠতে সাংসদ গৌৰৱ গগৈৰ প্ৰতি অসমবাসীৰ সন্মুখত এটা নেতিবাচক বাগধাৰা (Narrative) সৃষ্টি কৰা। এওঁলোকৰ মূল লক্ষ্য আৰু উদ্দেশ্যই হ'ল অসমবাসী ৰাইজৰ সাংসদগৰাকীৰ প্ৰতি যি মৰম, আস্থা আৰু বিশ্বাস আছে তাক নিঃশেষ কৰা। সেয়েহে সাংসদগৰাকীৰ বিৰুদ্ধে অসমৰ জনগণৰ মাজত এটা নেতিবাচক ভাবমূৰ্তি গঢ়ি তুলিবলৈ আৰু অসমৰ সমাজত তেওঁৰ প্ৰতিচ্ছবি ম্লান কৰিবলৈ দৈনিক তেওঁলোকে নানা কৌশল গ্ৰহণ কৰে। এইবিলাক হ'ল তাৰেই এক অংশ। ই হ'ল সাম্প্ৰতিক ৰাজনীতিত প্ৰধান বিৰোধী দল বা নেতাৰ বিৰুদ্ধে বিভিন্ন প্ৰচাৰ মাধ্যমক ব্যৱহাৰ কৰি অপপ্ৰচাৰ কৰা। এক কথাত নেতিবাচক ধাৰণা ব্যৱস্থাপনা কৰা বুলিয়েই ক'ব পাৰি! দিগন্ত কলিতাৰ পৰহিৰ নিকৃষ্ট কৰ্মকাণ্ড সন্দৰ্ভত আমি দলে আইনী পৰামৰ্শ গ্ৰহণ কৰি আছো আৰু প্ৰয়োজন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিম। আজি এতিয়ালৈকে যিসকলে পুনৰ তেনে ভুৱা তথ্যৰে সামাজিক মাধ্যমত অপপ্ৰচাৰ চলাই থকা দেখিছো সেইসকলৰ বিৰুদ্ধেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা ভাবিছো। যদিও জানো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আৰক্ষীয়ে সেইসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰে! তথাপি চৰকাৰ হৈছে এক নিৰন্তৰ প্ৰক্ৰিয়া কথাষাৰত বিশ্বাস ৰাখো বাবেই ভাবিছো। তলত অপপ্ৰচাৰ চলোৱা ফটোখনৰ অৰিজিনেল বনাম ফেকৰ তথ্য দাঙি ধৰিলো। অৰিজিনেল ফটোখন তোলা হৈছিল ২০১৯ চনৰ ১৭ জুন তাৰিখে সংসদৰ অধিবেশনৰ সময়ত সংসদ ভৱন চৌহদত। আৰু অপপ্ৰচাৰ চলোৱা ডাৰ্টি ট্ৰিকৰ ইকো ছিষ্টেমটোৱে সেই ফটোখনকে এডিট বা মৰ্ফ কৰি একেবাৰে দিল্লীৰ সংসদ ভৱনৰ পৰা ভাৰত-পাকিস্তানৰ আট্টাৰী সীমান্ত পোৱাই দিলেগৈ। গতিকে সমগ্ৰ অসমবাসী ৰাইজক আমি এই অপপ্ৰচাৰ চলোৱা Dirty Tricks বাহিনীৰ পৰা সজাগ আৰু সাৰধান হ'বলৈ অনুৰোধ জনালো। কাৰণ এইসকলে তেওঁলোকৰ বিৰোধ কৰিলে আপোনাৰ মোৰ পৰিয়ালৰ ফটোও যে এনেদৰে এডিট কৰি নিদিব কি মানে আছে। কংগ্ৰেছৰ মুখপাত্ৰ ৰূপা কলিতাই সম্পাদিত ফটোখন শ্বেয়াৰ কৰি প্ৰতিক্ৰিয়া কৰি কৈছে যে বিজেপি আইটি চেলৰ এয়া এডিটিঙৰ নমুনা। হেৰৌ, কৰিছিলি, কৰিছিলি ভালকৈ নকৰিলি কিয়। অন্ততঃ মানুহে বিশ্বাস কৰিব পৰাকৈ? এতিয়া আমি চাম নহয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱৰ ৰাজপথত পাকিস্তানৰ পতাকা

ফ্লেক্সখন পাৰি দিয়াত ইয়াৰ ওপৰেৰেই যান-বাহন চলাচল কৰাৰ লগতে পাকিস্তানৰ পতাকা সম্বলিত সেই ফ্লেক্সখন গচকিয়েই লোকসকলে খোজকাঢ়ি দীৰ্ঘ সময় ধৰি অহা-যোৱা কৰে। জম্মু-কাশ্মীৰৰ পেহেলগামত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ নৰসংহাৰ ঘটনাৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি কোনো অজ্ঞাত লোকে এনেদৰে উক্ত ফ্লেক্সখন ৰাজপথত পাৰি হৈ যায় বুলি বিভিন্নজনে ধাৰণা কৰিছে। লগতে উক্ত অজ্ঞাত লোকসকল কোন আৰু তেওঁলোকে কি কাৰণে আত্ম পৰিচয় প্ৰকাশ কৰা নাই সেই লৈও বু বু বা বা বা চলা দেখা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পাহাৰত সমুখ সমৰত বিজেপি-কংগ্ৰেছ

অভিযোগ তুলি সৰৱ হৈ পৰে। কাৰ্বি আংলঙৰ চিইএম তুলিৰাম ৰংহাঙৰ দুৰ্নীতি প্ৰসংগত সমুখ সমৰত অৱতীৰ্ণ হৈছে শাসক বিজেপি আৰু বিৰোধী কংগ্ৰেছ। এদিন যদি বিজেপিয়ে সংবাদ মেল সম্বোধন কৰি কংগ্ৰেছৰ আমোলতহে কাৰ্বি আংলঙত দুৰ্নীতি হোৱা বুলি দাবী কৰিছে, পিছ মুহূৰ্ততে কাৰ্বি আংলং কংগ্ৰেছো বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা গৈছে। আজি ডিফুত জিলা কংগ্ৰেছ কাৰ্যালয়ত সংবাদ মেলৰ জৰিয়তে জিলা কংগ্ৰেছ নেতৃত্বৰ প্ৰশ্ন, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ অহা উন্নয়নৰ ধন ক'লৈ গ'ল? বছৰ বছৰ ধৰি ঠিকাদাৰে কিয় লাভ কৰা নাই ধন? ৰাজপ্ৰাসাদ বনাবলৈ তুলিৰামে ধন ক'ত পাইছে? বিজেপিয়ে তুলিৰাম ৰংহাঙক মুক্তহস্তে লুণ্ঠন চলাবলৈ লাইচেন্স দিছে নেকি? যদি বিজেপি দল ইমানেই নিকা, তুলিৰামৰ বিৰুদ্ধে তদন্ত কৰিবলৈ সাহস নকৰে কিয় বুলি বিজেপি সভাপতি দিলীপ শইকীয়াক প্ৰশ্ন জিলা কংগ্ৰেছৰ। কাৰ্বি আংলং পৰিষদৰ ইতিহাস বৰ্ণনা কৰি জিলা কংগ্ৰেছৰ কটূক্তি--- ১৯৫২ চনৰ পৰা কাৰ্বি আংলঙত বহু চিইএম হৈছে, কিন্তু তুলিৰাম ৰংহাঙৰ দৰে ইমান দুৰ্নীতিপৰায়ণ চিইএম দেখা নাই। সবকা সাথ সবকা বিকাশ মানে কেৱল তুলিৰাম ৰংহাঙৰ পৰিয়ালৰহে বিকাশ নেকি। কংগ্ৰেছে তেওঁৰ ৰাজপ্ৰাসাদ নিৰ্মাণ কৰাৰ কথা কৈ ৰাজনৈতিক ষড়যন্ত্ৰ কৰা নাই, দেশৰ আগশাৰীৰ নিৰ্মাতা এজনেহে সামাজিক মাধ্যমত শ কোটি টকীয়া প্ৰাসাদটোৰ বিষয়ে অৱগত কৰিছিল। কংগ্ৰেছৰ আমোলত বিজেপিয়ে দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। সেই প্ৰতিবাদ কংগ্ৰেছৰ বিৰুদ্ধে নাছিল, সেই প্ৰতিবাদ আছিল সেই সময়ৰ কংগ্ৰেছী চিইএম তুলিৰাম ৰংহাঙৰ বিৰুদ্ধেহে। এতিয়া বিজেপি হোৱা বাবেই তুলিৰামৰ বিৰুদ্ধে বিজেপি নিমাত কিয় ? কেৱল ডিফুৰ ৰংথেয়াঙতে নহয়, মাঞ্জাৰ সমীপৰ ডিছামা অঞ্চলত থকা তেওঁৰ ফাৰ্ম হাউছত ইয়াতকৈও বৃহৎ প্ৰাসাদ আছে বুলি কংগ্ৰেছে অভিযোগ কৰে। তেওঁৰ বৰ পুত্ৰৰ নামত এইবোৰ নিৰ্মাণ হৈ আছে বুলি কোৱা হৈছে যদিও এইবোৰৰ আঁৰত তুলিৰাম ৰংহাঙেই আছে, আন কোনো নাই। ঠিকাৰ ধন কেৱল তুলিৰামৰ পুত্ৰ বা তেওঁৰ পৰিয়ালৰ লোকেহে পায় কিয় ? তুলিৰামে CBIক আমন্ত্ৰণ কৰা বুলি কয়, কিন্তু লিখিতভাৱে আমন্ত্ৰণ কৰিবলৈ সাহস নাই কিয় ? কংগ্ৰেছে কাৰ্বি আংলঙৰ দুৰ্নীতিৰ তদন্তৰ বাবে CBIক আমন্ত্ৰণ জনায়। কাৰ্বি আংলঙত যি উন্নয়ন হৈছে সেই উন্নয়ন বিজেপি নেতাকেন্দ্ৰিকহে হৈছে। শান্তি চুক্তিৰ জৰিয়তে লাভ কৰা ধনেৰে কেৱল তুলিৰামহে ধনী হৈছে। কাৰ্বি আংলঙত ৰান মেন আৰ্মীৰ ৰাজত্ব চলিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## ফ’ল’ৱাৰ কমাৰ বাবেই চৰম সিদ্ধান্ত মিশা আগৰৱালৰ

# ছ’চিয়েল মিডিয়াৰ ভয়াৱহ সত্য উদঙালে ইনফ্লুৱেঞ্চাৰৰ মৃত্যুৱে




নতুন দিল্লী, ৩০ এপ্রিল: ইনফ্লুৱেঞ্চাৰ মিশা আগৰৱালৰ মৃত্যুৱে উদঙাইছে ছ’চিয়েল মিডিয়া আসক্তিৰ ভয়ংকৰ সত্য। ফেচবুক ইণ্ষ্টাগ্ৰামত খুহুতীয়া ভিডিঅ’ৰ জৰিয়তে যথেষ্ট কম সময়তে জনপ্ৰিয় হৈ পৰা মিশা আগৰৱালে আত্মহত্যা কৰাৰ কথা নিশ্চিত কৰিছে পৰিয়ালে। নিজৰ ২৫ বছৰীয়া জন্মদিনৰ দুদিন পূৰ্বে ২৪ এপ্ৰিলত মিশাই নিজৰেই প্ৰাণনাশ কৰে। ছচিয়েল মিডিয়াত মিশাৰ মৃত্যৰ খবৰ বিয়পি পৰিছিল যদিও উদীয়মান কণ্টেণ্ট ক্ৰিয়েটৰগৰাকীয়ে কি কাৰণত আত্মহনন কৰিলে সেই বিষয়ে জানিব পৰা হোৱা নাছিল। আজি ইনফ্লুৱেঞ্চাৰগৰাকীৰ ভগ্নীয়ে ইণ্ষ্টাগ্ৰামৰ জড়িয়তে মিশাৰ মৃত্যুৰ কাৰণ প্ৰকাশ কৰি লিখা এক প’ষ্টে ছচিয়েল মিডিয়াৰ এটা ভয়ংকৰ দিশ উন্মোচন হৈছে। মিশাৰ ভগ্নীয়ে লিখিছে যে এক মিলিয়ন ফ’লৱাৰৰ সপোন পূৰণ নোহোৱাৰ বাবেই হতাশাত ভুগিছিল ইনফ্লুৱেঞ্চাৰগৰাকী। ম’বাইলৰ ৱালপে’পাৰ সজাইছিল ১ নিযুত ফ’লৱাৰৰ কাল্পনিক ছবিৰে। নিজৰ মন-প্ৰাণ ছচিয়েল মিডিয়াতে সঁপি দিছিল মিশাই। কিন্তু বিগত কিছুদিনৰ পৰা ফ’ল’ৱাৰ কমি অহাৰ বাবে হতাশাত ভুগিছিল তেওঁ। অৱশেষত নিজকে শেষ কৰি দিয়াৰ চৰম সিদ্ধান্ত লৈছিল ইনফ্লুৱেঞ্চাৰ মিশাই। উল্লেখ্য, আইনৰ স্নাতক মিশা আগৰৱাল এগৰাকী মেধাৱী ছাত্ৰী আছিল আৰু প্ৰাদেশিক লোকসেৱাৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল। কিন্তু ছ’চিয়েল মিডিয়াৰ ক্ষন্তেকীয়া খ্যাতিয়ে বিভ্ৰান্ত কৰিছিল তেওঁক। অৱশেষত ছচিয়েল মিডিয়াই সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলোৱা মিশাই লৈ পেলাইছিল কোনেও নভবা সেই সিদ্ধান্তটো।



কলকাতাৰ হোটেলত সংঘটিত অগ্নিকাণ্ডত সন্তানক হেৰুৱাই ভাগি পৰিছে এগৰাকী মাতৃ, ফটো বুধবাৰৰ




## আৰম্ভ হ’ল চাৰি ধাম যাত্ৰা

# ১৩ কুইণ্টল ফুলেৰে সজাই তোলা হৈছে কেদাৰনাথ মন্দিৰ

**ঋষিকেশ, ৩০ এপ্ৰিল:** শুকুৰবাৰে ভক্তৰ বাবে খোলা হব কেদাৰনাথ মন্দিৰৰ দুৱাৰ। এই পৰিপ্ৰেক্ষিতত চলোৱা হৈছে ব্যাপক প্ৰস্তুতি। ১৩ কুইন্টল ফুলেৰে সজাই তোলা হৈছে উত্তৰাখণ্ডৰ কেদাৰনাথ মন্দিৰ। ইপিনে চাৰি ধাম যাত্ৰাৰ অংশস্বৰূপে আজি অক্ষয় তৃতীয়াৰ শুভ মুহূৰ্তত গংগোত্ৰী আৰু যমুনোত্ৰী ধামৰ দুৱাৰ ভক্তৰ বাবে মুকলি কৰা হয়। এইকেইখন পূণ্যধামত ইতিমধ্যে উপস্থিত হোৱা ভক্তসকলৰ ওপৰত হেলিকপ্টাৰেৰে পুষ্পবৃষ্টি কৰা হয়। ঋষিকেশস্থিত খ্ষিকেশ ট্ৰেনজিট কেম্পত এইবাৰ ২২ লাখ ভক্তই চাৰি ধাম যাত্ৰাৰ বাবে পঞ্জীয়ন কৰি তীৰ্থযাত্ৰা আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

# তীব্ৰ জল সংকটত হাৰিয়ানা আৰু পঞ্জাব

**হাৰিয়ানা, ৩০ এপ্ৰিল:** তীব্ৰ জল সংকটৰ সন্মুখীন হৈছে হাৰিয়ানা আৰু পঞ্জাৱ। অত্যাধিক ভূগৰ্ভস্থ পানী আহৰণ, দূষিতকৰণ আৰু অদক্ষ পানী ব্যৱস্থাপনা পদ্ধতিৰ বাবে ৰাজ্যদুখন জল সংকটৰ সন্মুখীন হৈছে। হাৰিয়ানাত, ১৪ খন জিলা ভূগৰ্ভস্থ পানীৰ গুৰুতৰ নাটনিৰ সন্মুখীন হৈছে। অত্যাধিক অপহ্যৱহাৰৰ বাবে ৮৫ টা খণ্ডক "ডাৰ্ক জ’ন" হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে। ১,৯৪৮ খন গাওঁ "ৰে’ড জ’ন"ত অন্তৰ্ভুক্ত হৈছে, যি অবহনযোগ্য পানীৰ ব্যৱহাৰক সূচায়। ৰাজ্যখনত বছৰি প্ৰায় ১৪ লাখ কোটি লিটাৰ পানীৰ ঘাটি হৈ থকাত চাহিদা যোগানতকৈ যথেষ্ট অধিক হৈ পৰিছে। পঞ্জাৱৰ ভাটিন্দা, মানচা আৰু ফাজিলকাৰ দৰে জিলাত ভূগৰ্ভস্থ পানী উচ্চ ফ্ল’ৰাইডৰ দ্বাৰা দূষিত হোৱাৰ ফলত স্বাস্থ্যৰ গুৰুতৰ বিপদাশংকাই দেখা দিছে। পাঞ্জাবে অত্যধিক পানী অপব্যৱহাৰৰ অভিযোগ তুলি হাৰিয়ানাক পানী দিয়া বন্ধ কৰিব বুলি হুংকাৰ দিছে।

# এসপ্তাহত ৫১ বাৰ যুদ্ধবিৰতি চুক্তি ভংগ পাকিস্তানৰ

**শ্ৰীনগৰ, ৩০ এপ্ৰিল:** পাহালগামৰ ঘটনাৰ কেইদিনমান পাছতে পাকিস্তানে ভাৰতক উত্তেজিত কৰাৰ প্ৰচেষ্টাৰে জম্মু-কাশ্মীৰৰ এলঅ’চিত পুনৰ গুলীবৰ্ষণ কৰে। বুধবাৰৰ অপ্ৰৰোচিত গুলীচালনা এসপ্তাহত পাকিস্তানী সৈন্যৰ দ্বাৰা যুদ্ধবিৰতি চুক্তিৰ ৫১ তম উলংঘন আছিল। শেহতীয়া ঘটনাটোত, পাকিস্তানী সৈন্যই জম্মু-কাশ্মীৰৰ নৌচেৰা, সুন্দৰবানী আৰু আখনুৰ চেক্টৰত অপ্ৰৰোচিত ভাৱে সৰু-সুৰা অস্ত্ৰৰ গুলীবৰ্ষণ আৰম্ভ কৰে। যোৱা সপ্তাহত পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত নতুন দিল্লী আৰু ইছলামাবাদৰ মাজত তীব্ৰ উত্তেজনা চলি থকাৰ মাজত পাকিস্তানে নিয়ন্ত্ৰণ ৰেখাত অপ্ৰৰোচিত গুলীবৰ্ষণ কৰাৰ এইটো একেৰাহে ষষ্ঠ দিন।

# পুনৰ ২ টকাকৈ বৃদ্ধি হ’ল আমূল গাখীৰৰ দাম

**নতুন দিল্লী, ৩০ এপ্ৰিল:** পুনৰ বৃদ্ধি হ’ল আমূল গাখীৰৰ দাম। মাদাৰ ডেইৰীৰ পাছত আমূলে গাখীৰৰ দাম বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। লিটাৰত ২ টকাকৈ বৃদ্ধি কৰা হৈছে আমূল গাখীৰৰ দাম। বৃহস্পতিবাৰৰপৰা কাৰ্যকৰী হোৱাকৈ দাম বৃদ্ধি কৰা হৈছে। আমূল আৰু মাদাৰ ডেইৰীয়ে দাম বৃদ্ধি কৰাৰ লগে লগে দেশজুৰি দুগ্ধজাত সামগ্ৰীসমূহৰ দাম বাঢ়ে।

# বিয়াগোম আপ নেতাৰ নতুন কেলেংকাৰী উন্মোচন

**নতুন দিল্লী, ৩০ এপ্ৰিল:** চৰকাৰী বিদ্যালয়ৰ শ্ৰেণীকোঠা নিৰ্মাণৰ নামত ২০০০ কোটি টকাৰ কেলেংকাৰী সংঘটিত কৰাৰ অভিযোগত নাম সাঙোৰ খাই পৰিছে মনীষ ছিছ’দিয়া আৰু সত্যেন্দ্ৰ জৈনৰ। দিল্লী আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই এই দুগৰাকী নেতাৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰাৰ লগতে সক্ৰিয় তদন্ত আৰম্ভ কৰিছে। এই গোচৰত এজন অচিনাক্ত চৰকাৰী বিষয়া আৰু এজন ঠিকাদাৰো জড়িত বুলি দিল্লী আৰক্ষীয়ে জানিবলৈ দিছে। উল্লেখ্য যে, কেজৰিৱাল চৰকাৰৰ শিক্ষামন্ত্ৰী আছিল প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ’দিয়া। আনহাতে সত্যেন্দ্ৰ জৈন আছিল ৰাজহুৱা কাম-কাজ বিভাগৰ দায়িত্বত। এই বিভাগৰ অধীনত চৰকাৰী বিদ্যালয় আৰু অট্টালিকা নিৰ্মাণৰ কাম কৰা হৈছিল। তদন্তত ১২ হাজাৰৰো অধিক শ্ৰেণীকোঠা নিৰ্মাণৰ ক্ষেত্ৰত প্ৰায় ২ হাজাৰ কোটি টকাৰ ব্যাপক অনিয়ম আৰু আৰ্থিক দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন হৈছে। দিল্লী আৰক্ষীৰ সূত্ৰই জনোৱা মতে, এই নিৰ্মাণৰ ঠিকা লাভ কৰা ৩৪জন ঠিকাদাৰ আটাইকেইজনেই আপৰ ঘনিষ্ঠ বুলি প্ৰমাণ পোৱা গৈছে।

# শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৭ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা



**ই-সংবাদ, শুৱালকুছি, ৩০ এপ্ৰিলঃ** বস্ত্ৰ নগৰী শুৱালকুছিৰ অন্যতম শিক্ষানুষ্ঠান ১৯৩৯ চনতে স্থাপন কৰা শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সুদীৰ্ঘকাল শিক্ষা আৰু জ্ঞানৰ জ্যোতিৰে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়ি শিক্ষকতাৰ জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষানুষ্ঠানখনৰ সাতগৰাকীকৈ শিক্ষক-শিক্ষয়িত্ৰীক আজি এক গাম্ভীৰ্যপূৰ্ণ সভাত বিদায় সম্বৰ্ধনা জনোৱা হয়। অৱসৰ গ্ৰহণ কৰা শিক্ষক আৰু শিক্ষয়িত্ৰীসকলক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱাৰ বাবে শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰামেশ্বৰ কাকতিৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত কৰা হয়। সভাত শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সুদীৰ্ঘকাল শিক্ষকতা কৰা মুঠ সাতগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা জনোৱা হয়। অৱসৰ গ্ৰহণ কৰা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ক্ৰমে বিভা বৰ্মন মৰল, ধৃতিশ্ৰী দেৱী, সুভাষ চন্দ্ৰ পাৰৈ, ফুলেন দাস, জগন্নাথ অধিকাৰী, ধনেশ্বৰ বৈশ্য আৰু অৱনী কলিতাক বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীয়ে ফুলাম গামোচৰ, মানপত্ৰ, শৰাই আদিৰে বিদায় সম্বৰ্ধনা জনায়। বিদায় সভাখনৰ আতঁ ধৰে বিদ্যালয়খনৰ বিষয় শিক্ষক প্ৰণৱ দাসে। আনহাতে, জীৱনটো শিক্ষক হিচাপে নিজৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰি বিদায় সম্বৰ্ধনা গ্ৰহণ কৰি আটাইকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৱেগিক হৈ পৰে।

# দৰিদ্ৰতাকো নেওচি উজলিল শংকৰ আজান একাডেমীৰ আয়েছা

**ই-সংবাদ, দুমুনিচকী, ৩০ এপ্ৰিলঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত উজলিল ছিপাঝাৰৰ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান শংকৰ আজান জেনিথ্ একাডেমীৰ আয়েছা ছিদ্দিকা। উল্লেখ্য যে, আয়েছাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ পদাৰ্থ বিজ্ঞানত ৯১% নম্বৰ পাবলৈ সক্ষম হৈছে। ছিপাঝাৰৰ শংকৰ আজান জেনিথ্ একাডেমীৰ বাকৰিত আজি ছাত্ৰীগৰাকীক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে বিদ্যালয় কৰ্তৃপক্ষই। সানোৱা গাঁৱৰ বাসিন্দা হানিফ আলীৰ কন্যা আয়েছা ছিদ্দিকাই দৰিদ্ৰতাকো নেওচি সাফল্য অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ বাবে ভূয়সী প্ৰশংসা কৰিছে স্থানীয় ৰাইজ তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে। উল্লেখ্য যে, প্ৰতিষ্ঠানখনৰ এশ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

## বিজ্ঞান শাখাত ২৭ গৰাকীৰ ডিষ্টিংশ্যন নম্বৰ লাভ

# নলবাৰী নিউক্লিয়াছ একাডেমীত এশ শতাংশ উত্তীৰ্ণ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৩০ এপ্ৰিলঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আজি ঘোষণা কৰা ফলাফলত আনন্দৰ বন্যা বৈছে নলবাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠান নিউক্লিয়াছ একাডেমীত। শিক্ষানুষ্ঠানখনৰ পৰা এইবেলি বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত মুঠ ১৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈ এশ শতাংশ উত্তীৰ্ণ হৈ সফলতা কঢ়িয়াই আনে। ইয়াৰ ভিতৰত বিজ্ঞান শাখাত ২৭ গৰাকীয়ে ডিষ্টিংচন, ৯১ গৰাকীয়ে প্ৰথম, ৯ গৰাকীয়ে ২য় আৰু ২ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। একেদৰে কলা শাখাত ১৭ গৰাকীয়ে ডিষ্টিংচন, ১০ গৰাকীয়ে প্ৰথম আৰু দুজনকৈ দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বাণিজ্য শাখাৰ উত্তীৰ্ণ হাৰো এশ শতাংশ। এই ফলাফলৰ ভিতৰত কলা শাখাৰ মেধাৱী ছাত্ৰী বিপাশা শৰ্মাই ৯২.৬ শতাংশ, বিতু বৰুৱাই ৯২.৬ শতাংশ, হিয়া শৰ্মাই ৯২.২ শতাংশ, বিজ্ঞান শাখাৰ মৃণ্ময় শৰ্মাই ৯২.২ আৰু লিজা ডেকাই ৯০ শতাংশ নম্বৰ লাভ কৰি শিক্ষানুষ্ঠানখনকে ধৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ ব্ৰেণ্ড এম্বেছেদৰ হিচাপে থকা এই শিক্ষানুষ্ঠানখনৰ এনে সফলতাক প্ৰশংসা কৰিছে জিলাখনৰ বৌদ্ধিক সমাজে।

# উচ্চতৰ মাধ্যমিকত উজলিল বঙালমৰা একাডেমীৰ এলিজা চুলতানা

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ৩০ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ উখল-মাখল পৰিৱেশৰ মাজতে আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে উজলিল উত্তৰ লখিমপুৰৰ বঙালমৰা একাডেমী। পূৰ্বৰ ধাৰা অব্যাহত ৰাখি লখিমপুৰ জিলাৰ অন্যতম আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় বঙালমৰা একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে সফলতাই পিছপৰা অঞ্চলটোলৈ পুনৰবাৰ গৌৰৱ কঢ়িয়াই আনিছে। জৰাজীৰ্ণ বাট-পথ অতিক্ৰম কৰি অঞ্চলটোৰ বহু ভিতৰুৱা গাঁৱৰ পৰা আহি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা আৰু বিজ্ঞান দুয়োটা শাখাতে ছাত্ৰ-ছাত্ৰীসকলে এক আকৰ্ষণীয় ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ কলা শাখাত ছাত্ৰী এলিজা চুলতানা বেগমে ৯৪.৪ শতাংশ নম্বৰেৰে আটাইকেইটা বিষয়ত লেটাৰ আৰু ছাহিনা বেগমে ৯১.৪ শতাংশ নম্বৰেৰে আটাইকেইটা বিষয়ত লেটাৰসহ উত্তীৰ্ণ হোৱাৰ লগতে কলা শাখাত মুঠ ২২ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে এক সন্তোষজনক নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আনহাতে, বিদ্যালয়খনৰ বিজ্ঞান শাখাত মোছাৰফ হুছেইন খানে ৮১.৮ শতাংশ আৰু জুলফীয়া আমিনে ৮১.২ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱাৰ লগতে বিজ্ঞান শাখাত বিদ্যালয়খনৰ মুঠ ২৬ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে সন্তোষজনক নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এনে সফলতাত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক-শুভাকাংক্ষী উৎফুল্লিত হৈ পৰিছে।

# খাৰুপেটীয়াত এশ শতাংশ উত্তীৰ্ণৰে উজলিল আজমল ছিনিয়ৰ ছেকেণ্ডেৰী

## অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ আব্দুল আওৱালৰ

**ই-সংবাদ, খাৰুপেটীয়া, ৩০ এপ্ৰিলঃ** আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলত খাৰুপেটীয়াত উজলিল ব্যক্তিগত খণ্ডৰ বিদ্যালয়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ ভিতৰত খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল, আজাদ জাতীয় বিদ্যালয়, ডিক্ৰা একাডেমী, প্ৰাইম ইনষ্টিটিউট, ইউ এছ এ আদি বিদ্যালয়। ইয়াৰ ভিতৰত খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্যই গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ। বিদ্যালয়খনৰ পৰা ২১১ ছাত্ৰ-ছাত্ৰীয়ে বাণিজ্য, ক'লা আৰু বিজ্ঞান শাখাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ১৫ গৰাকী বিদ্যাৰ্থীয়ে ডিষ্টিংচন নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া বিষয়ত অসমৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰে বিদ্যালয়খনৰ আব্দুল আওৱাল নামৰ এজন ছাত্ৰই। আওৱালে অসমীয়া বিষয়ত ৯৯ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ পৰা ক'লা শাখাত সৰ্বোচ্চ ৯১.৪০ শতাংশ নম্বৰ লাভ কৰে চুলতান আহমেদে। বিদ্যালয়খনৰ এই সাফল্যত উৎফুল্লিত হৈছে ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ ৰাইজ। আজি ছাত্ৰ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয় চৌহদত ফটকা ফুটাই আনন্দ উৎসৱ পালন কৰে। আজিৰ এই সাফল্যই অঞ্চলটোক বিদ্যায়তনিক দিশত আৰু আগবঢ়াই নিব বুলি আশা কৰা হৈছে।

# উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ তামাৰহাটৰ দুই যমজ ভগ্নী

**ই-সংবাদ, তামাৰহাট, ৩০ এপ্ৰিলঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত তামাৰহাটৰ দুই যমজ ভগ্নীয়ে ডিষ্টিংচন নম্বৰ লাভ কৰি সমগ্ৰ তামাৰহাট অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তামাৰহাটৰ হৰিপুৰ গাঁৱৰ ইউছুপ আলীৰ দুই যমজ কন্যা তাহমিনা ইয়াছমিন আৰু লাহমিনা ইয়াছমিনে আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। দুয়োগৰাকী ভগ্নীয়ে মেট্ৰিক পৰীক্ষাত ভাল ৰিজাল্ট কৰাৰ পিছত সপোন আছিল বিজ্ঞান শাখাত পঢ়ি ডাক্তৰ হোৱাৰ। কিন্তু আৰ্থিক অভাৱ-অনাটনৰ কাৰণে বিজ্ঞান শাখাত পঢ়াৰ সপোন এৰি তামাৰহাটৰ পি এম শ্ৰী কামানডাংগা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কলা শাখাত নাম ভৰ্তি কৰে। কলা শাখাত পঢ়িও দুই ভগ্নীয়ে ভাল ফলাফল লাভ কৰে। দুই কন্যাৰ এই ফলাফলত পিতৃ-মাতৃ আৰু শিক্ষকসকল উৎফুল্ল হৈ পৰে যদিও ফলাফল আশানুৰূপ হোৱা নাই বুলি দুই কন্যাৰ পিতৃয়ে সাংবাদিকৰ আগত উল্লেখ কৰে। ফলাফল আৰু অলপ বেছি ভাল হ'ব লাগিছিল বুলি দুই কন্যাৰ পিতৃয়ে মন্তব্য কৰে। দৰিদ্ৰতা যে শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে তাকে প্ৰমাণ কৰি দেখুৱালে তামাৰহাটৰ দুই যমজ ভগ্নীয়ে। অৰ্থবিজ্ঞান বিষয়ত বি এ পাছ কৰি ভৱিষ্যতে APSC, UPSC পৰীক্ষাত বহি প্ৰশাসনিক বিষয়া হোৱাৰ সপোন দুই ভগ্নীৰ। উল্লেখ্য যে দুয়োগৰাকী যমজ ভগ্নীয়ে সকলো বিষয়তে লেটাৰ নম্বৰ লাভ কৰে। এগৰাকীয়ে ৯০ শতাংশ আন এগৰাকীয়ে ৮৭ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। লাহমিনা ইয়াছমিনে ইংৰাজীত ৮৭, অসমীয়াত ৮৪, ৰাজনীতি বিজ্ঞানত ৯১, অৰ্থবিজ্ঞান ৮৮, বুৰঞ্জী ৮৬ সকলো বিষয়ত লেটাৰ মাৰ্কসহ মুঠ ৪৩৬ নম্বৰ লাভ কৰে। আনহাতে তাহমিনা ইয়াছমিনে ইংৰাজী ৮৭ অসমীয়া ৮৯, ৰাজনীতি বিজ্ঞান ৯৩, শিক্ষা ৯২, অৰ্থবিজ্ঞান ৯৩ সকলো বিষয়ত লেটাৰ মাৰ্কসহ মুঠ ৪৫১ নম্বৰ লাভ কৰে। দুই যমজ ভগ্নীৰ এই ফলাফলক তামাৰহাটৰ সচেতন মহলে প্ৰশংসা কৰিছে।



পিতৃ-মাতৃৰ সৈতে তামাৰহাটৰ তাহমিনা ইয়াছমিন আৰু লাহমিনা ইয়াছমিন, ফটোঃ ই-সংবাদ, তামাৰহাট

# উচ্চতৰ মাধ্যমিকত ৯৭.৬ শতাংশ নম্বৰেৰে গোৱালপাৰালৈ গৌৰৱ কঢ়িয়ালে চিন্ময়ী শীলে

**ই-সংবাদ, গোৱালপাৰা, ৩০ এপ্ৰিলঃ** আজিৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে গোৱালপাৰাৰ কল্পনা চাওলা মেম'ৰিয়েল (KCM) একাডেমীত আনন্দময় পৰিৱেশ পৰিলক্ষিত হয়। কলা, বিজ্ঞান আৰু বাণিজ্য—তিনিও শাখাত স্কুলটোৱে উৎকৃষ্ট ফলাফল দেখুৱাই জিলাৰ মুখ উজ্জ্বল কৰে। কলা শাখাত ৰিশানা আহমেদে ৯২% নম্বৰ লাভ কৰি গোৱালপাৰা জিলাৰ ভিতৰত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰে। তেওঁৰ সফলতাত বিদ্যালয় তথা সমগ্ৰ জিলা গৌৰৱান্বিত হয়। লগতে নিশাতা মাজিদেও ৯০.৬% নম্বৰেৰে ভাল ফলাফল দেখুৱায়। বিজ্ঞান শাখাত চিন্ময়ী শীলে ৯৭.৬% নম্বৰ লাভ কৰি বিদ্যালয়খনৰ সৰ্বোচ্চ স্থান লাভ কৰাৰ লগতে জিলা পৰ্যায়তো গৌৰৱ কঢ়িয়াই আনে। বিজ্ঞান শাখাৰ ১৪১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০ শতাংশ উত্তীৰ্ণ হয়, য'ত ৩ গৰাকীয়ে ডিষ্টিংচন, ১৪ গৰাকীয়ে ষ্টাৰ আৰু ৪৩ গৰাকীয়ে প্ৰথম বিভাগ লাভ কৰে। কলা শাখাৰ ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬ গৰাকী ডিষ্টিংচন, ১৩ গৰাকী ষ্টাৰ আৰু ২৯ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত ৮ গৰাকীৰ ভিতৰত ২ গৰাকীয়ে ষ্টাৰ নম্বৰ আৰু ২ গৰাকীয়ে প্ৰথম বিভাগ লাভ কৰে। বিদ্যালয়খনৰ এই এশ শতাংশ উত্তীৰ্ণৰ ফলত সমগ্ৰ স্কুল প্ৰাংগণতে উৎসৱৰ পৰিৱেশ সৃষ্টি হয়। শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে এই সফলতা উদযাপন কৰে। এই ধৰণৰ ফলাফলে KCM একাডেমীক গোৱালপাৰাৰ এক আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হিচাপে আগবঢ়াই লৈ গৈছে।

# অসমীয়া বিষয়ত ৯৯ নম্বৰ, উজলিল প্ৰণামী কলিতা

**ই-সংবাদ, ছিপাঝাৰ, ৩০ এপ্ৰিলঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত দৰং জিলাৰ ছিপাঝাৰস্থ ব্যক্তিগত খণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠান পশ্চিম দৰং একাডেমীৰ প্ৰণামী কলিতাই অসমীয়া বিষয়ত অসমৰ ভিতৰতে সৰ্বোচ্ছ ৯৯ নম্বৰ লাভ কৰি উজলি উঠিল। উল্লেখ্য যে প্ৰতিষ্ঠা কালৰে পৰা সাফল্যৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিবলৈ সক্ষম হোৱা শিক্ষানুষ্ঠানখনৰ পৰা ইতিপূৰ্বে একাধিকবাৰ শীৰ্ষৰ দহগৰাকীৰ ভিতৰত স্থান লাভ কৰিছিল। উল্লেখযোগ্য যে বৃহত্তৰ ছিপাঝাৰৰ কেইবাখনো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান এইবেলি এশ শতাংশ উত্তীৰ্ণৰে উজলি উঠিছে। ইয়াৰ ভিতৰত গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এশ শতাংশৰ বিপৰীতে ছিপাঝাৰ বহুমুখী উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাৰ এশ শতাংশ আৰু কলা শাখাত ৯৭ শতাংশ উত্তীৰ্ণ হৈছে। আনহাতে ব্যক্তিগত খণ্ডৰ ট্ৰিনিটি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কনিষ্ঠ মহাবিদ্যালয়, গুৰু ব্ৰহ্মা শৈক্ষিক প্ৰতিষ্ঠান, পশ্চিম দৰং একাডেমী আদি এশ শতাংশ উত্তীৰ্ণৰে উজলি উঠিল। ইপিনে বেচৰকাৰী বিদ্যালয়ৰ জয়জয়কাৰৰ দিনতো আটাইকেইখন চৰকাৰী বিদ্যালয়ৰ চমকপ্ৰদ ফলাফলত উৎফুল্ল হৈ পৰিছে ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকল।

# গোৰেশ্বৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত ১০০ উত্তীৰ্ণ

**ই-সংবাদ, গোৰেশ্বৰ, ৩০ এপ্ৰিলঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত তামুলপুৰ জিলাৰ গোৰেশ্বৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত এশ শতাংশ উত্তীৰ্ণ হয়। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ৭৩ পৰীক্ষাৰ্থীৰ ভিতৰত ৭০ গৰাকী প্ৰথম আৰু ৩ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। একেখন শিক্ষানুষ্ঠানৰ কলা শাখাৰ মুঠ ২২৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২৬ গৰাকী প্ৰথম, ১২৪ গৰাকী দ্বিতীয় আৰু ৭৪ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৮৮.৮৯ শতাংশ। শিক্ষানুষ্ঠান খনৰ কাৰিকৰী বিভাগত ১৯ গৰাকীৰ ভিতৰত প্ৰথম ১ গৰাকী, দ্বিতীয় ১৩ গৰাকী আৰু তৃতীয় বিভাগত ৩ গৰাকী উত্তীৰ্ণ। উত্তীৰ্ণৰ হাৰ ৮৯.৪ শতাংশ। উল্লেখ্য, নানা সমস্যাৰে ভাৰাক্ৰান্ত শিক্ষানুষ্ঠানৰ বিজ্ঞান শাখাই বিগত চাৰিবছৰ ধৰি উত্তীৰ্ণৰ হাৰ এশ শতাংশ ধৰি ৰাখিবলৈ সক্ষম হোৱাত অধ্যক্ষ বিশ্বজিৎ ডেকাক গোৰেশ্বৰৰ বৌদ্ধিক মহলৰ লগতে অভিভাৱকসকলে শুভেচ্ছা জনায়।



# ডিব্ৰুগড় জিলা আপকুৰ প্ৰতিষ্ঠা দিৱসত ৬গৰাকী বিশেষ ব্যক্তিক সম্বৰ্ধনা

## নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক জনালে সম্বৰ্ধনা

**ই-সংবাদ, নামৰূপ, ৩০ এপ্ৰিলঃ** আপকুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আপকুৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ডিব্ৰুগড় জিলা সমিতিয়ে সমাজ-সাংস্কৃতিক, ৰাজনৈতিক তথা ক্ৰীড়াক্ষেত্ৰত অৰিহণা যোগোৱা দুলীয়াজান, নাহৰকটীয়া, নামৰূপৰ ছয়গৰাকী বিশিষ্ট ব্যক্তিক ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়। নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, নামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দুৰ্গা প্ৰসাদ গগৈ, দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোকবিকাশ গগৈ আৰু বিশিষ্ট নাট্যকৰ্মী পবিত্ৰ চেতীয়া, নাহৰকটীয়াৰ ক্ৰীড়া সংগঠক সমুদ্ৰ বুঢ়াগোহাঁই আৰু সমাজকৰ্মী বকুল চহৰীয়াক সম্বৰ্ধনা পত্ৰ, গ্ৰন্থ আৰু চেলেং চাদৰেৰে আপকু ডিব্ৰুগড় জিলাৰ এক সঁজাতি দলে সম্বৰ্ধনা জ্ঞাপন কৰে। এই কাৰ্যসূচীত উপস্থিত থাকে আপকুৰ কেন্দ্ৰীয় উপ-সভাপতি আব্দুল ৰাজ্জাক, কেন্দ্ৰীয় পত্ৰিকা সম্পাদক ব্ৰজেন গগৈ, ডিব্ৰুগড় জিলা আপকুৰ সভাপতি স্মৃতিৰেখা কলিতা, সম্পাদক নৱজিৎ দেৱ, জিলাৰ প্ৰাক্তন সম্পাদক কৃষ্ণা গগৈ, আচিফ আহমেদসহ দুলীয়াজানৰ দিলীপ সাহ, পংকজ বড়া, নামৰূপৰ সমীৰণ বৰুৱা, নাহৰকটীয়াৰ দীপাংকৰ কাকতি, সাজন চৌধুৰী, প্ৰিয়ংকা সিংহ আদি সদস্যসকল।

# এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে পুনৰ উজলিল নলবাৰীৰ অসম ভেলী একাডেমী

**ই-সংবাদ, বাঁহজানী, ৩০ এপ্ৰিলঃ** নলবাৰী চহৰৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান অসম ভেলী একাডেমীয়ে আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা আৰু বাণিজ্য শাখাত এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজি ঘোষিত ফলাফলত কলা শাখাত সৰ্বমুঠ ৪১০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২২৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগ, ১৫৯ গৰাকী শিক্ষাৰ্থীয়ে দ্বিতীয় বিভাগ আৰু ২৫ গৰাকী শিক্ষাৰ্থীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। একেদৰে বাণিজ্য শাখাৰ সৰ্বমুঠ ৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩৯ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম আৰু ১৪ গৰাকী শিক্ষাৰ্থীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হ২বলৈ সক্ষম হৈছে। পূৰ্বতেও কলা আৰু বাণিজ্য উভয় শাখাতে ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সুনাম অৰ্জন কৰা শিক্ষানুষ্ঠানখনে এইবেলিও দুয়োটা শাখাতে এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে নলবাৰী জিলালৈ সুনাম কঢ়িয়াই আনিছে। এইবেলি শিক্ষানুষ্ঠানখনৰ পৰা নৃতত্ব বিষয়ত দিক্ষিতা ডেকা, ৰিতুৰাজ শৰ্মা, কৃতিস্মিতা



মালাকৰ, মণিষা বৰ্মন আৰু কৃতিৰূপা শৰ্মাই অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি সমগ্ৰ জিলাখনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। মনকৰিবলগীয়া যে, পূৰ্বেও শিক্ষানুষ্ঠানখনৰ পৰা অসমৰ ভিতৰত পৰিণীতা বুজবৰুৱাই সপ্তম স্থান আৰু প্ৰিয়ংকা বৈশ্যই চতুৰ্থ স্থান লাভ কৰি গৌৰৱ কঢ়িয়াই অনাৰ লগতে বিগত বৰ্ষত ফাৰুক আলীয়ে হিন্দী বিষয়ত আৰু বিস্মিতা ডেকাই তৰ্কশাস্ত্ৰ আৰু দৰ্শন বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল। শিক্ষানুষ্ঠানখনৰ এনে সুখবৰে জিলাবাসীক আনন্দিত কৰি তুলিছে। লগতে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, অভিভাৱক, অভিভাৱিকা তথা শুভাকাংক্ষী ৰাইজ উৎফুল্লিত হৈ পৰিছে।

# লাহৰীঘাট সমষ্টিৰ ৩০নং হয়বৰগাঁও গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য প্ৰাৰ্থীৰ বিৰুদ্ধে বাল্যবিবাহৰ অভিযোগ

**ই-সংবাদ, জাগীৰোড, ৩০ এপ্ৰিলঃ** দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই আকৰ্ষণীয় হৈ পৰিছে শাসক বিৰোধীৰ প্ৰচাৰ। ইয়াৰ সমান্তৰালভাৱে বিভিন্ন সময়ত ভিন্ন ঠাইত প্ৰাৰ্থিত্ব আগবঢ়োৱা কিছু প্ৰাৰ্থীৰ বিৰুদ্ধে উত্থাপিত হৈছে গুৰুতৰ অভিযোগ। এইবাৰ বাল্যবিবাহ কৰোৱাৰ অভিযোগ উত্থাপিত হৈছে এগৰাকী ৱাৰ্ড সদস্য পদৰ প্ৰাৰ্থীৰ বিৰুদ্ধে। অভিযোগ অনুসৰি মৰিগাঁও জিলাৰ ৫৩নং লাহৰিঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩০ নং হয়বৰগাঁও গাঁও পঞ্চায়তৰ সান্দহখাইতি গাঁৱৰ ৮নং (ক) ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী শ্বহিদুল আলমে ২০১৩ বৰ্ষতে পলুৱাই বিয়া কৰাইছিল এগৰাকী অষ্টম শ্ৰেণীৰ ছাত্ৰীক। সেই সময়ত তেওঁৰ পত্নীৰ বয়স আছিল ১৫ বছৰ। সেই অনুসৰি চহিদুল ইছলাম এগৰাকী বাল্যবিবাহ কৰোৱা ব্যক্তি। যিহেতু পঞ্চায়ত নিৰ্বাচনৰ নিয়ম অনুসৰি বাল্যবিবাহৰ লগত জড়িত কোনো ব্যক্তিয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰে। কিন্তু তেনেক্ষেত্ৰত শ্বহিদুল আলম নামৰ প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচন আয়োগক ভুল শপতনামা দাখিলেৰে বিপথে পৰিচালিত কৰি প্ৰাৰ্থিত্ব লাভ কৰাৰ অভিযোগ উত্থাপিত হৈছে। মঙলবাৰে জাগীৰোডত এক সংবাদমেল আয়োজন কৰি এই গুৰুতৰ অভিযোগ উত্থাপন কৰে একেটা ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থী দেলচিনা নাচৰিনৰ লগতে তেওঁৰ সমৰ্থকে। উক্ত ব্যক্তিগৰাকীৰ বিৰুদ্ধে প্ৰয়োজনীয় তদন্ত কৰি উচিত শাস্তি বিহাৰ লগতে প্ৰাৰ্থিত্ব বাতিল কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু মৰিগাঁও জিলা নিৰ্বাচনী বিষয়াক দাবী জনাইছে দেলচিনা নাচৰিনৰ লগতে তেওঁৰ সমৰ্থকসকলে।

# উত্তৰ গুৱাহাটীলৈ সুনাম কঢ়িয়ালে অংকিতা দাসে

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩০ এপ্ৰিলঃ** আজি ঘোষণা কৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাত উত্তৰ গুৱাহাটীৰ চন্দ্ৰা গাঁৱৰ অংকিতা দাসে সৰ্বমুঠ ৯৪% নম্বৰ লাভ কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। অংকিতাই আটাইকেইটা অৰ্থাৎ ৬টা বিষয়তে ৯০% কৈও অধিক নম্বৰ লাভ কৰাৰ লগতে ৰিটেইল মেনেজমেন্ট বিষয়ত মুঠ ৯৯ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। অংকিতা উত্তৰ গুৱাহাটীৰ চন্দ্ৰা নিবাসী ভবেন দাস আৰু নমিতা দাসৰ কনিষ্ঠা কন্যা। অংকিতাৰ এই সাফল্যত বৃহত্তৰ উত্তৰ গুৱাহাটীৰ বিভিন্ন দল সংগঠন তথা স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰে আৰু কৃতী ছাত্ৰী গৰাকীৰ গৃহলৈ গৈ সফলতা কামনাৰে অভিনন্দন জ্ঞাপন কৰে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'টিকটৰ লগত এখন দুৰ্নীতিৰ লাইচেন্স

সকলোৰে ভোট বিচাৰিম। আপোনালোকে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিয়ক।- এই আহ্বান মন্ত্ৰী পীযুষ হাজৰীকাৰ। আজি ৰহাত চাপৰমুখ জিলা পৰিষদ সমষ্টিৰ বিজেপি-অগপ মিত্ৰজোঁটৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা সম্বোধন কৰি এইদৰে ৰাইজক আহ্বান জনায় মন্ত্ৰীগৰাকীয়ে। সভাত তেওঁ কংগ্ৰেছ দলৰ লগতে শিৱসাগৰৰ বিধায়ক অখিল গগৈক তীব্ৰ কটাক্ষ কৰে। তেওঁ কয় যে হিন্দুৱে হওক, মুছলমানেই হওক, যিয়ে ৰাষ্ট্ৰক ভাল পায়, যিয়ে ভাৰত মাতাক ভাল পায়, অসমক ভাল পায় সকলোকে বিজেপি-অগপ মিত্ৰজোঁটক ভোট দিয়ক। পাকিস্তানৰ সমৰ্থকসকলৰ ভোট আমাক নালাগে। পাকিস্তানৰ সমৰ্থককেইটাই কংগ্ৰেছক ভোট দিয়ক, অখিল গগৈক ভোট দিয়ক বুলি কটাক্ষ কৰে। সভাৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে ৰহাবাসীক উদ্দেশ্যি কয় যে ২০১১ চনত ৰহাবাসীয়ে যদি মোক বিধায়ক নিৰ্বাচিত নকৰিলেহেঁতেন, আজি মই ক'ত থাকিলোহেঁতেন হয়তো নিজেও নাজানিলোহেঁতেন। তেওঁ কয় যে মই য'তেই নাথোকো কিয় মোৰ প্ৰতিষ্ঠাতা আপোনালোক। যদিও আজি জাগীৰোডৰ মই বিধায়ক, ৰহা সমষ্টিৰ লগত মোৰ সম্পৰ্ক নাইকিয়া হৈ যোৱা নাই। আপোনালোকৰ বদন্যতাত, আপোনালোকৰ আশীৰ্বাদত, ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰত মই মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈকে সক্ষম হৈছো। আপোনালোকৰ আশীৰ্বাদত তিনিবাৰ বিধায়ক, দুবাৰ মন্ত্ৰী হ'লো। এই গোটেইবোৰৰ কৃতিত্ব আপোনালোকৰ। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ হাটবৰ, আমচৈ, কমাৰগাঁৱৰ ৰাইজৰ আজিৰ পৰা ৪ বছৰৰ আগলৈকে সকলোতকৈ ডাঙৰ সমস্যাটো আছিল কপিলী দলঙৰ আছিল বুলি উল্লেখ কৰে। ৰহা সমষ্টিত তেওঁ প্ৰায় ১২ খন দলং নিৰ্মাণ কৰিবলৈ সক্ষম হোৱা বুলি কয়। তেওঁ কয় যে এটা সময়ত ৰহা সমষ্টিৰ ৰাস্তা-ঘাটৰ অৱস্থা অত্যন্ত বেয়া আছিল। ৰহাৰ পৰা বৈছালাছ'লৈ যাওঁতে ৪ ঘণ্টা লাগিছিল। আজি সেই পৰিৱেশ নাই, সুন্দৰ ৰাস্তা নিৰ্মাণ কৰা হ'ল। সেই ৰাস্তাটোৰো আধাৰশিলাৰ ফলকত এতিয়াও মোৰ নাম আছে। আনহাতে, ধৰমতুলৰ পৰা কামপুৰলৈকে মথাউৰিটোৰ অৱস্থা খুব বেয়া আছিল, সেইখিনি সময়তে প্ৰায় ১০৯ কোটি টকা দিল্লীলৈ গৈ কেন্দ্ৰীয় মন্ত্ৰীক কাকুতি-মিনতি কৰি এই টকা আনি মথাউৰিটো নিৰ্মাণ কৰিছিলো। আজিও মথাউৰিটো শক্তিশালী হৈ আছে বুলি তেওঁ উল্লেখ কৰে। সেইখিনি সময়ৰ সুবিধা-অসুবিধাৰ কথা বৰ্ণনা কৰি মন্ত্ৰীগৰাকীয়ে সেই সময়ত সুবিধাটো অলপ কম আছিল বুলি কয়। তেওঁ কয় যে এতিয়া যেনেদৰে শশীদাসে বছৰত ৰাস্তা বনাবলৈ ৬০ কোটি টকা পায়, তেতিয়া পোৱা নাছিলো। কিন্তু যুঁজ-বাগৰ কৰি তেতিয়াও মই ৰাস্তা বনাইছিলো। এয়া একমাত্ৰ ৰহাবাসী ৰাইজৰ কাৰণে তেওঁ কৰা বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি কয় যে আজি চাৰিওফালে কংগ্ৰেছৰ নিজৰ মাজতে মাৰপিটৰ ঘটনা সংঘটিত হৈছে। টিভি, পেপাৰত আপোনালোকে এইবোৰ দেখি আহিছে। আনকি তেওঁলোকৰ সাংসদজনক বিজেপিয়ে আক্ৰমণ কৰা বুলি তেওঁলোকে মিছা প্ৰচাৰ চলাইছিল। পিছত ওলাই পৰিল যে টকা দিও টিকট নোপোৱা তেওঁলোকৰ জিলা পৰিষদৰ এজন প্ৰাৰ্থীয়ে সাংসদজনক আক্ৰমণ কৰিছিল। বিজেপিত এনেকুৱা ঘটনা ক'ৰবাত সংঘটিত হৈছে নেকি বুলি তেওঁ প্ৰশ্ন কৰে। বিজেপিত এনেকুৱা ঘটনা ঘটা নাই। কাৰণ কংগ্ৰেছে টকা লৈ দুৰ্নীতি কৰাৰ লাইচেন্স দিয়ে। ২০-৩০ লাখ টকা দি টিকট লোৱা মানুহজন জিকিলে, সেই টকা তেওঁ দুৰ্নীতি কৰিয়ে ঘটিব লাগিব। দুৰ্নীতি কৰিয়ে তেওঁ ন্যূনতম ১ কোটি টকা ঘটিব লাগিব আৰু তেওঁ ৰাইজৰ টকা খাব লাগিব। গতিকে কংগ্ৰেছ টিকটৰ লগত এখন এখন দুৰ্নীতিৰ লাইচেন্স দি দিছে। গতিকে এনেকুৱা দলক ভোট দি লাভ নাই তেওঁ মন্তব্য কৰে। তেওঁ কয় যে আমি ৰাষ্ট্ৰবাদী মানুহ সকলোৰে ভোট বিচাৰিম। হিন্দুৱে হওক, মুছলমানেই হওক যিয়ে ৰাষ্ট্ৰক ভাল পায়, যিয়ে ভাৰত মাতাক ভাল পায়, অসমক ভাল পায় সকলোকে বিজেপি মিত্ৰজোঁটক ভোট দিবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয় যে পাকিস্তানৰ সমৰ্থকসকলৰ ভোট আমাক নালাগে। পাকিস্তানৰ সমৰ্থককেইটাই কংগ্ৰেছক ভোট দিয়ক, অখিল গগৈক ভোট দিয়ক। মন্ত্ৰীগৰাকীয়ে ভাষণত ৰহাৰ ৩০ হাজাৰ মহিলাই অহা দুই মাহত অৰুণোদয় পাব বুলি উল্লেখ কৰাৰ লগতে অহা ছেপ্টেম্বৰ মাহত আৰু ৫ হাজাৰ মহিলাক বিধায়ক শশীকান্ত দাসে অৰুণোদয় দিব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। অৰুণোদয়ৰ টকাখিনি সোণৰ কোণী পৰা হাঁহ হ'ব বুলি মন্তব্য কৰে। এই টকাৰে ব্যৱসায় কৰি মহিলাসকল স্বাৱলম্বী হ'ব পাৰিব। তেওঁ অৰুণোদয়ৰ টকাখিনি ব্যৱসায়ৰ বাহিৰে আন কামত ব্যৱহাৰ নকৰিবলৈ মহিলাসকলক আহ্বান জনায়। অৰুণোদয়ৰ উপৰি মন্ত্ৰীগৰাকীয়ে নিযুত মইনা, ৰেচন কাৰ্ড, কৃষকৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে আজি ৰহা বিধানসভা সমষ্টিত আজি বিজেপি মিত্ৰজোঁটৰ চাপৰমুখ জিলা পৰিষদৰ প্ৰাৰ্থী জোনালীম দাস ডেকাৰ হৈ প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ চুকে-কোণে ব্যাপক বিকাশ, উন্নয়ন সাধন হৈছে বুলি উল্লেখ কৰি পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ৰহা বিধানসভা সমষ্টিত বিজেপি-অগপ মিত্ৰজোঁটৰ ফুলগুৰি বাৰপূজীয়া জিলা পৰিষদৰ প্ৰাৰ্থী ৰূপজ্যোতি বৰদলৈ দাসৰ হৈ এখন বিশাল পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে সভাত আৰু মাত্ৰ ৬ দিন পাছত সমষ্টিটোত পঞ্চায়তৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি পঞ্চায়তৰ নিৰ্বাচনটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ নিৰ্বাচন বুলি মন্তব্য কৰে। তেওঁ কয় যে আমাৰ যি তিনিখলপীয়া চৰকাৰী ব্যৱস্থা তথা শাসন ব্যৱস্থা তাত থাকে পঞ্চায়ত বা টাইন কমিটী, তাৰ পাছত থাকে বিধানসভা আৰু তাৰ পাছত থাকে লোকসভা। এই তিনিটা ব্যৱস্থাৰে আমি শাসন চলাও বা ৰাইজৰ উন্নতিৰ কাৰণে কাম কৰো। উন্নয়নৰ ক্ষেত্ৰত পঞ্চায়তৰ যথেষ্ট ভূমিকা আছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰি ভালদৰে চিন্তা-চৰ্চা কৰি সেয়ে পঞ্চায়তৰ ভোট দিব লাগে বুলি উল্লেখ কৰে। তেওঁ কয় যে ভালদৰে চিন্তা-চৰ্চা কৰি আমি ভোট দিব লাগে, যাতে ভাল দল, ভাল মানুহ নিৰ্বাচিত হয় আৰু পৰৱৰ্তী পাঁচ বছৰ তেওঁলোকে আমাক ভালদৰে শাসন কৰে। বিগত ১০ বছৰত অসমত যথেষ্ট পৰিৱৰ্তন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি বিজেপি চৰকাৰৰ উন্নয়নী যাত্ৰাক অধিক উৎসাহিত কৰিবলৈ সমাগত পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়।
এই সভাতে, ভাৰতীয় জনতা পাৰ্টিৰ নীতি-আদৰ্শ তথা সুশাসনত আকৃষ্ট হৈ বহুসংখ্যক কংগ্ৰেছ কৰ্মীয়ে বিজেপি দলত যোগদান কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁলোকক বিজেপি দললৈ আদৰণি জনায় আৰু সকলোকে নিষ্ঠাৰে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। এই প্ৰচাৰ সভাত বিধায়ক শশীকান্ত দাস, নগাঁও জিলা বিজেপিৰ সভাপতি ৰঞ্জিত বৰদলৈ, প্ৰাক্তন সভাপতি অভিজিৎ নাথ, অনুসূচিত জনজাতি মৰ্চাৰ সভাপতি সঞ্জীৱ কুমাৰ দেউৰীৰ লগতে বিজেপি দলৰ বহুসংখ্যক বিষয়া-কাৰ্যকৰ্তা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ সদস্য আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৰপেটাৰোডৰ সমীপৰ হতাপাৰাত

আৰোহী। দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰে চাৰিচকীয়া বাহনখনে। আজি দুপৰীয়া বৰপেটাৰোডৰ সমীপৰ হতাপাৰাত সংঘটিত হয় এই ঘটনা। বৰপেটাৰোডৰ পৰা হাউলী অভিমুখে গৈ থকা এখন বাইকক তীব্ৰ বেগী চাৰিচকীয়া বাহনে খুন্দিয়াই পলায়ন কৰে। ফলত পথৰ ওপৰতে ছিটিকি পৰে এটি কণমানি শিশুসহ পৰিয়ালটো। বহু সময় পথৰ ওপৰত পৰি আছিল দুৰ্ঘটনগ্ৰস্ত কণমানি শিশুসহ পৰিয়ালটো। পিছত বৰপেটাৰোডৰ পৰা হাউলী অভিমুখে গৈ থকা এজন ব্যক্তিয়ে নিজ গাড়ীৰে বৰপেটাৰোড FRU লৈ আনে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। আহত পৰিয়ালটো ক্ৰমে মহিদুল ইছলাম (৩২), চফীদা আহমেদ (২৪) আৰু তিনিবছৰীয়া সাহিম আকতাৰ। পৰিয়ালটোৰ ঘৰ বৰপেটাৰোডৰ সমীপৰ বিলাসীপাৰাত।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাইগৰমাৰীত কংগ্ৰেছৰ নিৰ্বাচনী সভা

পঞ্চায়তৰ অন্তৰ্গত বাইগৰমাৰীত যোৱানিশা বিৰোধী দল কংগ্ৰেছে অনুষ্ঠিত কৰে এখন নিৰ্বাচনী প্ৰচাৰ সভা। সভাখনত ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত বিজেপি-এ আই ইউ ডি এফ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰি ১০ নং বিহুদিয়া জিলা পৰিষদৰ কংগ্ৰেছৰ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদ আৰু ফকিৰপাৰা-বলোগড়া আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী মনছুৰ আলীক হাতৰ ছবিত ভোট দি জয়যুক্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায় প্ৰাক্তন বিধায়ক ইলিয়াছ আলী, প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ জেহেৰুল ইছলাম বাদশ্বাহ আৰু দলীয় নেতাসকলে। সভাখনত এআইইউডিএফ আৰু অন্য দলৰ শতাধিক কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে।

# মুছলপুৰত এছআৰডিৰ বাল্য বিবাহ বিৰোধী সভা সম্পন্ন

**ই-সংবাদ, মুছলপুৰ, ৩০ এপ্ৰিলঃ** অক্ষয় তৃতীয়া উপলক্ষে বাক্সা জিলাৰ ডুমুনীত আজি আছাম চেন্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডিয়ে বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ অংশ হিচাপে গাঁৱৰ বিভিন্ন ধৰ্মগুৰুসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰে। এই সভাতে শপতনামা অনুষ্ঠান এটিও ৰূপায়িত হয় ।এচিআৰডিৰ বাক্সা জিলাৰ সমন্বয়ক চিমি বৰ্মনে জানিবলৈ দিয়া অনুসৰি বিগত কেইবাবছৰ ধৰি বাক্সা জিলাক সামৰি অন্য ৫খন জিলাত শিশুৰ সুৰক্ষাৰ ওপৰত কাম কৰি থকা হৈছে। শিশুৰ ক্ষেত্ৰত সংঘটিত যিকোনো ঘটনাৰ সৈতে জড়িত দোষীক চিনাক্ত কৰি আইনী প্ৰক্ৰিয়াৰে শাস্তি প্ৰদান কৰা হৈছে। এই কাৰ্যৰ ফলত শিশুৰ ওপৰত চলোৱা নিৰ্যাতনকে ধৰি বিভিন্ন ঘটনাৰ সংখ্যা কমিছে যদিওঁ সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই। গতিকে পৰৱৰ্তী সময়ত যাতে সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব পাৰে আৰু শিশুৰ নিৰাপত্তা নিশ্চিত হয় আৰু বাল্য বিবাহ সম্পূৰ্ণৰূপে ৰোধ হয় তাৰ প্ৰতি লক্ষ্য ৰাখি আজি সকলো জাতি-ধৰ্মৰ লোকৰ সৈতে একেলগে আলোচনাত মিলিত হোৱা বুলিও জানিবলৈ দিয়ে চিমি বৰ্মনে। ধৰ্মগুৰুসকলৰ সৈতে হোৱা আজিৰ সভাত বাক্সা জিলাৰ গাঁওসমূহত ২০৩০ চনৰ ভিতৰত বাল্য বিবাহৰ অন্ত পেলোৱাৰ লক্ষ্য বান্ধি লয়। আজিৰ অনুষ্ঠানত এচিআৰডিৰ সামাজিক প্ৰমুখ যতীন দাস আৰু হীৰক কলিতাই বিশেষ সহযোগিতা আগবঢ়ায়।

# পাৰখোৱাত আপকু'ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, হাওৰাঘাট, ৩০ এপ্ৰিলঃ** আছাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন (Assam Press Correspondents Union, APCU) চমুকৈ আপকুৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস কাৰ্বি আংলং জিলাৰ পাৰখোৱাত বুধবাৰে অনুষ্ঠিত কৰা কাৰ্যসূচীৰ সফল সামৰণি পৰিছে। আপকুৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত পতাকা উত্তোলন কৰে আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ'ই। ৯.৩০ বজাত শ্বহীদ তৰ্পণ কৰে মুখ্য তৰ্পক উপদেষ্টা ৰবীন বৰুৱা আৰু কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক খৰছিং ৰংফাৰে। ইয়াৰ পিছতে অনুষ্ঠিত কৰা হয় মুকলি সভা। সভাত সভাপতিত্ব কৰে আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ'ই। অতিথিৰ চিনাকি পৰ্বৰ আঁত ধৰে সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰীয়ে। মুখ্য অথিতি হিচাপে উপস্হিত থাকে ভাৰত চৰকাৰৰ উত্তৰ-পূব পৰিষদ-শ্বিলংস্থিত ড'নাৰ মন্ত্ৰালয়ৰ সদস্য তথা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া লংকি ফাংচ', বিশিষ্ট অতিথি ক্ৰমে কাৰ্বি পৰিষদৰ পৰ্যটন বিভাগৰ ব'ৰ্ড অধ্যক্ষ ধৰমছিং ক্ৰ', ডেনগাঁও নগৰ সমিতিৰ অধ্যক্ষ প্ৰদীপ ইংতি, নমাটি ভি ডি চি অধ্যক্ষ ব্ৰিটেন মহেলাৰ লগতে ভি ডি চি সদস্য হলিৰাম ইংতি। ইফালে এই সভাতেই আপকুৰ ফালৰ পৰা তিনিটাকৈ বঁটা প্ৰদানৰ সিদ্ধান্তৰ কথাও ঘোষণা কৰা হয়। কাৰ্বি আংলং জিলা আপকুৰ মঞ্চত প্ৰদান কৰিবলগীয়া বঁটা তিনিটা হৈছে ক্ৰমে (১) প্ৰয়াত লক্ষীপ্ৰসাদ মেচ সোঁৱৰণী 'আপকু' কাৰ্বি আংলং জিলাৰ শ্ৰেষ্ঠ সাংবাদিক বঁটা-২০২৫ (জ্যেষ্ঠ), (২) প্ৰয়াত কাজিৰ ৰংপিপী সোঁৱৰণী 'আপকু' কাৰ্বি আংলং জিলাৰ শ্ৰেষ্ঠ সাংবাদিক বঁটা-২০২৫ (উদীয়মান) আৰু (৩) প্ৰয়াত লাংকুং ৰংহাং আৰু থাংটি টেৰাংপি সোঁৱৰণী 'আপকু' কাৰ্বি আংলং জিলাৰ শ্ৰেষ্ঠ সংবাদ-সাহিত্য বঁটা - ২০২৫। এই তিনিটা বঁটা আগবঢ়াইছে পাৰখোৱাৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মামণি বড়ো মেছ, অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া লংকি ফাংচ' আৰু হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাঙে। আনহাতে এই সভাতেই অহা দুমাহ পিছত প্ৰদান কৰিবলগীয়া বঁটা প্ৰদানৰ বাবে জুৰী বৰ্ডৰ সদস্যৰ নাম ঘোষণা কৰা হয়। জুৰী বৰ্ডৰ সদস্যসকল হৈছে ক্ৰমে বকলীয়াঘাটৰ ভৰেন কোচ, ডিফুৰ ভৱপ্ৰসাদ দেউৰী আৰু ৰজাপথাৰৰ শৰৎ পাটৰ। ইপিনে এই সভাতেই কাৰ্বি আংলং জিলাৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা মুঠ ৪ জন ছাত্ৰ-ছাত্ৰী ক্ৰমে হাওৰাঘাটৰ ৰঞ্জিতা মজুমদাৰ আৰু দৃষ্টি কলিতা, বোকাজান অঞ্চলৰ গণেশ সোণাৰ আৰু ডিফুৰ শান্তনু ঘোষক অভিনন্দন জ্ঞাপন তথা বিশেষ সম্বৰ্ধনা জনোৱা হয়।

# মাবৈ গাঁৱৰ আলহাজ মজিবৰ ৰহমানৰ মৃত্যুত শোক

**ই-সংবাদ, দুমুনিচকী, ৩০ এপ্ৰিলঃ** ছিপাঝাৰ সম-জিলাৰ অন্তৰ্গত মাবৈ গাঁৱৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী তথা মাবৈ গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্য আলহাজ মজিবৰ ৰহমান (৯০) ৰ কালি সন্ধিয়া ৬ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ বাসভৱনত মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এগৰাকী ধৰ্মপৰায়ণ ব্যক্তি হিচাপে পৰিচিত তেওঁ ২০০৩ চনত হজ সমাপন কৰিছিল। তেওঁ মাবৈ চ'কত সুদীৰ্ঘ বছৰ দোকান ব্যৱসায়েৰে ৰাইজৰ মাজত 'মিজি দোকানী 'নামেৰে জনাজাত আছিল। গাঁওখনৰ প্ৰতিটো ধৰ্মীয়-সমাজিক অনুষ্ঠানৰ লগত সেৱামূলক কাম-কাজত জড়িত আছিল। মাবৈ হাইমাদ্ৰাছাৰ দাতা সদস্য আছিল। আজি দিনৰ ১১ বজাত অসংখ্য গুণমুগ্ধ-শুভাকাংক্ষীৰ উপস্থিতিত জানাজা নামাজ পঢ়ায় মুছলীমঘোপাৰ মৌলানা ইক্ৰামুল মজিদে। মৃত্যুৰ সময়ত চাৰি পুত্ৰ, দুই কন্যা-বোৱাৰী-নাতি-পুতি ইহসংসাৰত এৰি যায়। বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰে। মাবৈ চ'কৰ দোকান-পোহাৰ বন্ধ ৰাখে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# আমিনগাঁৱত কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩০ এপ্ৰিলঃ** কামৰূপ জিলাৰ চলিত মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। আজিৰ বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি, অমৃত সৰোবৰ আদি আঁচনি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ), কৃষি বিভাগৰ পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিঞ্চয়ী যোজনা আদি আঁচনিৰ লগতে শিক্ষা, মীন, পশুপালন আৰু পশু চিকিৎসা, জলসম্পদ, লোক নিৰ্মাণ, স্বাস্থ্য, সমাজ কল্যাণ, বন, হস্ততাঁত আৰু বস্ত্ৰ আদি বিভাগৰ অধীনত চলি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। সভাত লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ কেন্দ্ৰসমূহত পানী, বিদ্যুৎ, টয়লেট, আচবাব, পথ ব্যৱস্থা আদি নিশ্চিত ন্যূনতম সুবিধাসমূহৰ উপলব্ধতা সম্পৰ্কেও বিস্তৃত আলোচনা কৰা হয় আৰু জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এনে সুবিধা উপলব্ধ কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগক নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক প্ৰয়োজনত স্বাস্থ্যসেৱা প্ৰদান কৰিব পৰাকৈ চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানসমূহ সাজু কৰি ৰাখিবলৈও নিৰ্দেশ প্ৰদান কৰে। তেওঁ সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জলসম্পদ, লোকনিৰ্মাণ (পথ) আদি বিভাগক বান হ'লে মথাউৰি আৰু পথসমূহত হ'ব পৰা ক্ষতিৰে মোকাবিলা কৰাৰ বাবে সাজু থকাৰ নিৰ্দেশ দিয়ে। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# উচ্চতৰ মাধ্যমিক পৰীক্ষাত দৰঙৰ সামগ্ৰিক ফলাফল উন্নত

**ই-সংবাদ বিশেষ, মঙলদৈ, ৩০ এপ্ৰিলঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দৰং জিলাৰ সামগ্ৰিক ফলাফল যথেষ্ট উন্নত। প্ৰাপ্ত তথ্য অনুসৰি জিলাখনৰ কলা শাখাত ৭৮৭৪ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৯৩.৮২ শতাংশ উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত ১৪৭০ গৰাকী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণৰ হাৰ ৯২.৩৮ শতাংশ। বাণিজ্য শাখাত ৩৯০ গৰাকী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণৰ হাৰ ৯৩.৩৩ শতাংশ আৰু ভকেচনেল শাখাত অৱতীৰ্ণ হোৱা ৫৭ গৰাকীৰ ভিতৰত উত্তীৰ্ণৰ হাৰ ৯১.২৩ শতাংশ। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মঙলদৈৰ ব্ৰিলিয়েন্ট একাডেমীৰ তিনিগৰাকী ছাত্ৰীৰ লগতে ৰঞ্জিত শৰ্মা একাডেমীৰ এগৰাকী ছাত্ৰীয়ে বিশেষ সফলতা লাভ কৰিছে। ব্ৰিলিয়েন্ট একাডেমীৰ তনুশ্ৰী ডেকাই মনোবিজ্ঞান বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৯৯ শতাংশ লাভ কৰাৰ লগতে সত্ৰীয়া নৃত্য বিষয়ত হীৰামণি ডেকা আৰু মেঘালী শৰ্মাই সৰ্বোচ্চ ৯৮ শতাংশ নম্বৰ লাভ কৰে। শিক্ষানুষ্ঠানখনৰ পৰা কলা শাখাত তনুশ্ৰীয়ে ৯৩.২ শতাংশ, বিজ্ঞান শাখাত গীতম শৰ্মাই ৮৯.৮ শতাংশ আৰু বাণিজ্য শাখাত স্মৃতা ডেকাই সৰ্বাধিক ৯০ শতাংশ নম্বৰ লাভ কৰে। ব্ৰিলিয়েন্ট একাডেমীৰ পৰা কলা শাখাত ২৬৫ গৰাকীৰ ভিতৰত ২২৩ গৰাকী প্ৰথম বিভাগত, ৩২ গৰাকী দ্বিতীয় বিভাগত আ দুগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত ১০২ গৰাকীৰ ভিতৰত ৮৫ গৰাকী প্ৰথম বিভাগত, ১২ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। আনহাতে বাণিজ্য শাখাত ১০৪ গৰাকীৰ ভিতৰত ৭৬ গৰাকী প্ৰথম বিভাগত, ২৫ গৰাকী দ্বিতীয় বিভাগত আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। শিক্ষানুষ্ঠানখনৰ ভিতৰত কলা শাখাত তনুশ্ৰী ডেকা আৰু নিশিতা ডেকাই সৰ্বোচ্চ ৯৩.২ শতাংশ, বিজ্ঞান শাখাত গীতম শৰ্মাই ৮৯.৮ শতাংশ আৰু বাণিজ্য শাখাত স্মৃতা শইকীয়া ডেকাই ৯০ শতাংশ নম্বৰ লাভ কৰিছে। আনহাতে ৰঞ্জিত শৰ্মা একাডেমীৰ ভাস্বতী নাথে নৃতত্ব বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ ৯৯ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। এইখন শিক্ষানুষ্ঠানৰ পৰা কলা শাখাত প্ৰিয়ংকা বৰা আৰু ভাস্বতী নাথে ৯৫.৪ শতাংশ আৰু মৌচনা কাকতিয়ে ৯৪ শতাংশ নম্বৰ লাভ কৰে। কলা শাখাত ১২১ গৰাকীৰ ভিতৰত ৮৫ গৰাকীয়ে প্ৰথম, ৩৪ গৰাকীয়ে দ্বিতীয়, দুগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত ১৯৪ গৰাকীৰ ভিতৰত ১৩১ গৰাকীয়ে প্ৰথম, ৫৩ গৰাকীয়ে দ্বিতীয় বিভাগত, চাৰিগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৯৪ শতাংশ।

# পশ্চিম যোৰহাটত উচ্চতৰ মাধ্যমিকৰ উত্তীৰ্ণৰ হাৰ সন্তোষজনক

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩০ এপ্ৰিলঃ** উচ্চতৰ মাধ্যমিকৰ আজি ঘোষণা কৰা ফলাফলত দহোটীয়া উচ্চতৰ মাধ্যমিক কেন্দ্ৰৰ পৰা মুঠ ১৮১ গৰাকীয়ে পৰীক্ষা দিছিল। ইয়াৰে প্ৰথম বিভাগত ৩৬ গৰাকী, দ্বিতীয় বিভাগত ৮৭ গৰাকী, তৃতীয় বিভাগত ৫৮ গৰাকী উত্তীৰ্ণ হৈছে। বহুসংখ্যকে লেটাৰ নম্বৰ লাভ কৰা কেন্দ্ৰটোৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ইয়াৰে দহোটীয়া হাইস্কুলৰ পৰা পৰীক্ষা দিয়া ১৭৩ গৰাকীৰ ভিতৰত প্ৰথম বিভাগত ৩৫ গৰাকী, দ্বিতীয় বিভাগত ৮১ গৰাকী, তৃতীয় বিভাগত ৫৭ গৰাকী উত্তীৰ্ণ হৈছে। ভকেচনেলত ৭ গৰাকীৰ ভিতৰত কেউগৰাকীয়েই উত্তীৰ্ণ হৈছে। এই কেন্দ্ৰতে পৰীক্ষা দিয়া পকামুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৮ গৰাকীৰ ভিতৰত প্ৰথম বিভাগত এগৰাকী, দ্বিতীয় বিভাগত ৬ গৰাকী, তৃতীয় বিভাগত এগৰাকী উত্তীৰ্ণ হৈছে। দুয়োখন বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কেন্দ্ৰৰ পৰা ১৭৩ গৰাকীৰ ভিতৰত প্ৰথম বিভাগত ৬১ গৰাকী, দ্বিতীয় বিভাগত ৯৮ গৰাকী, তৃতীয় বিভাগত ১৪ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ৯৯.৪৩ শতাংশ। ইয়াৰে নামদেউৰী উচ্চতৰ মাধ্যমিকৰ পৰা পৰীক্ষা দিয়া ৭১ গৰাকীৰ ভিতৰত ৩৬ গৰাকী প্ৰথম বিভাগত, ৩৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। মালৌপথাৰস্থিত সৰ্বোদয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত পৰীক্ষা দিয়া ২১১ গৰাকীৰ ভিতৰত ২০৪ গৰাকী উত্তীৰ্ণ হৈছে। ইয়াৰে প্ৰথম বিভাগত ৪৯ গৰাকী, দ্বিতীয় বিভাগত ১১৩ গৰাকী, তৃতীয় বিভাগত ৪২ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ৯৭ শতাংশ। বাণিজ্য বিভাগত ৩২ গৰাকীৰ ভিতৰত ৩২ গৰাকীয়েই উত্তীৰ্ণ হৈছে। ইয়াৰে প্ৰথম বিভাগত ১৮ গৰাকী, দ্বিতীয় বিভাগত ১৪ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষা দিয়া ৪২ গৰাকীৰ ভিতৰত প্ৰথম বিভাগত ৯ গৰাকী, দ্বিতীয় বিভাগত ২৭ গৰাকী, তৃতীয় বিভাগত ৬ গৰাকী উত্তীৰ্ণ হৈছে। ৩০ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰা বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। ধলসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় কেন্দ্ৰৰ পৰা পৰীক্ষা দিয়া ১২৪ গৰাকীৰ ভিতৰত প্ৰথম বিভাগত ৭৭ গৰাকী, দ্বিতীয় বিভাগত ৩৭ গৰাকী, তৃতীয় বিভাগত ১০ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। বিদ্যালয়কেইখনৰ উত্তীৰ্ণৰ হাৰত অভিভাৱকৰ লগতে শুভাকাংক্ষীসকলে সন্তুষ্টি প্ৰকাশ কৰিছে।

# শিৱসাগৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল সন্তোষজনক, বিজ্ঞান শাখাত তৃতীয় স্থান লাভ

**ই-সংবাদ, শিৱসাগৰ, ৩০ এপ্ৰিলঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ঐতিহাসিক শিৱসাগৰ জিলাই সন্তোষজনক ফলাফল লাভ কৰিবলৈ সক্ষম হয়। শিৱসাগৰ জিলাখনে সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰৰ ফালৰ পৰা কলা শাখাত ৰাজ্যৰ ভিতৰত দ্বিতীয় আৰু বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। শিৱসাগৰ জিলাত মুঠ ৭,৭০৭ গৰাকী পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৭,০৮৯ গৰাকী উত্তীৰ্ণ হয়। মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৯১.৯৮ শতাংশ। শিৱসাগৰ জিলাৰ পৰা কলা শাখাত ৫৭৮৩ গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ২০৩৯ গৰাকী প্ৰথম, ২১৩৩ গৰাকী দ্বিতীয় আৰু ১০৭৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কলা শাখাত উত্তীৰ্ণৰ হাৰ ৯০.৭৮ শতাংশ। একেদৰে জিলাখনৰ পৰা এইবাৰ বিজ্ঞান শাখাত ১৫৩২ গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ৯৭৬ গৰাকী প্ৰথম, ৪৫৭ গৰাকী দ্বিতীয় আৰু ৫৫ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৯৭.১৩ শতাংশ। বাণিজ্য শাখাত ৩৯২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৬৪ গৰাকী প্ৰথম, ১৩৫ গৰাকী দ্বিতীয় আৰু ৫২ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত এই জিলাখনৰ উত্তীৰ্ণৰ হাৰ ৮৯.৫৪ শতাংশ। তেনেদৰে ভকেচনেল অথবা বৃত্তিমুলক শাখাত এই জিলাখনৰ পৰা মুঠ ২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰী অনন্যা দত্তই বিউটি এন্ড ৱেলনেছ বিষয়ত ৰাজ্যৰ ভিতৰত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ বিপৰীতে আন ১৯ গৰাকী ছাত্ৰ-ছাত্ৰী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। এই শাখাত উত্তীৰ্ণৰ হাৰ ৯৫ শতাংশ। এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ তুলনাত অসমীয়া মাধ্যমৰ বিদ্যালয়ে অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ ভিতৰতে পুৰণি দ্বিতীয়খন উচ্চ শিক্ষানুষ্ঠান তথা অসম সাহিত্য সভাৰ ১৯ গৰাকী প্ৰাক্তন সভাপতিয়ে শিক্ষাগ্ৰহণ কৰা শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ পৰা এইবাৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত মুঠ ২০৮ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। এই বিদ্যালয়ৰ পৰা কলা শাখাত মুঠ ৭৪ গৰাকী পৰীক্ষাৰ্থীৰ ৬৫ গৰাকী প্ৰথম, ৮ গৰাকী দ্বিতীয় আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত মুঠ ৬৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২৩ গৰাকী প্ৰথম, ৪১ গৰাকী দ্বিতীয় আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত ৫৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৭ গৰাকী প্ৰথম, ৩৪ গৰাকী দ্বিতীয় আৰু ১০ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বৃত্তিমূলক শাখাত মুঠ ৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকী প্ৰথম আৰু ৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। শিৱসাগৰৰ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৭১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত মুঠ ৩৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৩৭ গৰাকী প্ৰথম আৰু এগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ৩৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২৯ গৰাকী প্ৰথম আৰু ৪ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা মুঠ ১১৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪৮ গৰাকী প্ৰথম, ৪৯ গৰাকী দ্বিতীয় আৰু ১১ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। এই বিদ্যালয়ৰ পৰা বৃত্তিমূলক শাখাত অনন্যা দত্তই বিউটি এন্ড ৱেলনেছ বিষয়ত অসমৰ ভিতৰতে প্ৰথম স্হান অধিকাৰ কৰে। শিৱসাগৰ থানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত একমাত্ৰ কলা শাখাত মুঠ ১২৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২৬ গৰাকী প্ৰথম, ৮৬ গৰাকী দ্বিতীয় আৰু ৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। আনহাতে জিলাখনৰ ব্যক্তিগত শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নিউ ভিছন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত এগৰাকী ডিষ্টিংচন, ৩ গৰাকী ষ্টাৰ মাৰ্কসহ ১৭ গৰাকীৰ ভিতৰত ৭ গৰাকী প্ৰথম বিভাগত আৰু ১০ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত ৫৭ গৰাকী ডিষ্টিংচন, ২৩ গৰাকী ষ্টাৰ মাৰ্কসহ ১৮৯ গৰাকী প্ৰথম, ১০৯ গৰাকী দ্বিতীয় আৰু ১৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত ১৬ গৰাকী ডিষ্টিংচন, ১৩ গৰাকী ষ্টাৰ মাৰ্কসহ ৬৫ গৰাকী প্ৰথম আৰু ১৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ৩৯ গৰাকী ডিষ্টিংচন, ৪১ গৰাকী ষ্টাৰ মাৰ্কসহ ২৪৪ গৰাকী প্ৰথম, ৭৯ গৰাকী দ্বিতীয় আৰু ৪ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত বিদ্যালয়খনৰ পৰা ভূ-বিজ্ঞান বিষয়ত ৰাজ্যৰ ভিতৰত বাস্তৱ বৰা, দীক্ষিতৰাজ মেধি আৰু শ্যাম সাহাই এশ নম্বৰ লাভ কৰে। প্ৰটেনচিয়েল কনচেপ্ট একাডেমীৰ পৰা বিজ্ঞান শাখাত ১২ গৰাকীৰ ভিতৰত ১২ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। আৰ্যভট্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত ৭ গৰাকী ডিষ্টিংচন, ১১ গৰাকী ষ্টাৰ মাৰ্কসহ ৪৫ গৰাকী প্ৰথম আৰু ১৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ৩ গৰাকী ডিষ্টিংচন, ১১ গৰাকী ষ্টাৰ মাৰ্কসহ ৬৫ গৰাকী প্ৰথম আৰু ২৭ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। টি আৰ বি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা বাণিজ্য শাখাত দুগৰাকী ডিষ্টিংচন, ৬ গৰাকী ষ্টাৰ মাৰ্কসহ ১৩ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। কলা শাখাত ৬ গৰাকী ডিষ্টিংচন, ৫ গৰাকী ষ্টাৰ মাৰ্কসহ ২১ গৰাকী প্ৰথম আৰু দুগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ১০ গৰাকী ডিষ্টিংচন, ৩৫ গৰাকী ষ্টাৰ মাৰ্কসহ ১০০ গৰাকী প্ৰথম আৰু ৪ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। সাৰথি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত ৬ গৰাকী ষ্টাৰ মাৰ্কসহ ২৭ গৰাকী প্ৰথম আৰু ৯ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত এগৰাকী প্ৰথম আৰু ৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ১৩ গৰাকী ষ্টাৰ মাৰ্কসহ ২৬ গৰাকী প্ৰথম আৰু ৭ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। সংস্কৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত ৭ গৰাকী ষ্টাৰ মাৰ্কসহ ৩২ গৰাকী প্ৰথম আৰু ১৩ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত দুগৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৮ গৰাকী প্ৰথম আৰু ১২ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। নিউলুক একাডেমীৰ পৰা কলা শাখাত ৪ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৭ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। বিজ্ঞান শাখাত ৬ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ১৪ গৰাকী প্ৰথম আৰু এগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য শাখাত দুগৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৩ গৰাকী প্ৰথম আৰু এগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। দিচাংমুখৰ ডঃ বি আৰ আম্বেদকাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত ১০ গৰাকী ষ্টাৰ মাৰ্কসহ ৬৪ গৰাকী প্ৰথম আৰু ২৭ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। অৰুণোদয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা কলা শাখাত ৫৪ গৰাকী প্ৰথম, ১০৮ গৰাকী দ্বিতীয় আৰু ৫৬ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

# পাকিস্তানক সমৰ্থন! গোৱালপাৰাত আৰক্ষীৰ জালত ২ যুৱক

**ই-সংবাদ, শিমলীতোলা, ৩০ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ তথা পাকিস্তানৰ সমৰ্থনত সামাজিক মাধ্যমত দেশদ্ৰোহী মন্তব্য কৰি আৰক্ষীৰ জালত পৰিছে ইজনৰ পিছত সিজনকৈ লোক। গোৱালপাৰাত পাকিস্তানৰ সমৰ্থনত সামাজিক মাধ্যমত মন্তব্য কৰা ২ যুৱকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। গ্ৰেপ্তাৰ কৰা যুৱকদ্বয় ক্ৰমে মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ছামাদ আলীৰ পুত্ৰ নজমুল হক আৰু মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত হাকিম উদ্দিন সেখৰ পুত্ৰ হানিফ আলী ওৰফে ইমৰান হাছিমী। সামাজিক মাধ্যমত দেশদ্ৰোহী মন্তব্য কৰাৰ পাছতে দৃষ্টিগোচৰ হোৱাত আৰক্ষীয়ে তৎকালীনভাৱে দুই যুৱকৰ বিৰুদ্ধে নিজাববীয়াকৈ গোচৰ ৰুজু কৰে। আৰক্ষীয়ে নজমুল হক আৰু হানিফ আলী ওৰফে ইমৰান হাছিমীৰ বিৰুদ্ধে মৰনৈ আৰু মাটিয়া থানাত পৃথকে পৃথকে বিএনএছৰ ১৫২/১৯৬/১৯৭ (১) এ ১১৩(৩)/৩৫২/৩৫৩ ধাৰাৰ লগতে আৰ/ ডব্লিউ আইটি এক্টৰ ৬৬ ধাৰাত ৩৫/২৫ নম্বৰত এক গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে।

# নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব ফুটবল ফেডাৰেচনে

**নতুন দিল্লী, ৩০ এপ্ৰিলঃ** দেশৰ উচ্চতম ন্যায়ালয়ে ভাৰতীয় ফুটবল প্ৰশাসনক এক বৃহৎ নিৰ্দেশ জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। অন্তৰ্বৰ্তীকালীন সমিতিৰ কাৰ্যকাল বৃদ্ধি কৰিব নোৱাৰিব। ন্যায়াধীশ পি এছ নৰসিংহ আৰু জয়মল্য বাগচিৰ বিচাৰপীঠে বুধবাৰে এই পৰ্যবেক্ষণ কৰি কয় যে কল্যাণ চৌবেৰ নেতৃত্বত গঠিত কমিটীয়ে আৰু কোনো সিদ্ধান্ত ল'ব নোৱাৰিব। ২৫ মাৰ্চৰ পৰা আৰম্ভ হোৱা এই গোচৰত ৰাজ্যিক সংঘ, এফএছডি এল, কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰালয়কে ধৰি অন্যান্য অংশীদাৰসকল জড়িত হৈ আছে। ১১ ঘণ্টা ধৰি বিস্তৃত শুনানিৰ অন্তত আদালতে কয় যে নিৰ্বাচন অনুষ্ঠিত নকৰাকৈ আগবাঢ়ি যোৱাৰ কোনো উপায় নাই। নিৰ্বাচন অনুষ্ঠিত নোহোৱালৈকে অন্তৰ্বৰ্তীকালীন সমিতিখনে কোনো প্ৰশাসনিক সিদ্ধান্ত ল'ব নোৱাৰিব, এফএছডিএলৰ সৈতেও কোনো ধৰণৰ চুক্তি কৰিব নোৱাৰিব। নিৰ্বাচনত জয়ী হোৱা নতুন কমিটীয়ে ভৱিষ্যতৰ সকলো সিদ্ধান্ত ল'ব বুলি উল্লেখ কৰিছে উচ্চতম ন্যায়ালয়ে। ক্ৰীড়া জগতৰ এটা অংশৰ মতে এই সিদ্ধান্তই এআইএফএফৰ ক্ষমতাৰ কেন্দ্ৰীকৰণত এক বৃহৎ আঘাত হানিছে। কাৰণ এতিয়া কল্যাণ চৌবেৰ নেতৃত্বত থকা কমিটীৰ কোনো নীতি নিৰ্ধাৰণ কৰাৰ ক্ষমতা আৰু নাই। শুনানিৰ সময়ত বিশেষ অধিবক্তা গোপাল শংকৰনাৰায়ণনে ফেডাৰেচন আৰু এফএছডিএলৰ মাজত চুক্তি বৃদ্ধিৰ পৰামৰ্শ আগবঢ়ায়। অৱশ্যে ন্যায়াধীশসকলে স্পষ্টভাৱে কয় যে অন্তৰ্বৰ্তীকালীন সমিতিৰ কোনো নতুন কাম কৰাৰ ক্ষমতা নাই। সকলো সিদ্ধান্ত গ্ৰহণ কৰ্তৃত্ব কেৱল নিৰ্বাচিত সমিতিৰ হাতত থাকিব। এতিয়াৰ বাবে উচ্চতম ন্যায়ালয়ে নিজৰ ৰায় সংৰক্ষিত কৰি ৰাখিছে। কিন্তু দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে এতিয়া নিৰ্বাচন অনিবাৰ্য।



আইপিএল ২০২৫: দিল্লী কেপিটেলছৰ বিৰুদ্ধে উইকেট দখলৰ উল্লাস কলকাতাৰ সুনীলৰ

## কোহলিৰ 'চিকু' নাম প্ৰসংগৰে আবেদনকাৰীক প্ৰশ্ন ন্যায়াধীশৰ

# আইপিএলৰ ৰবট কুকুৰৰ নামক লৈ বিচিচিআইৰ বিৰুদ্ধে গোচৰ

**নতুন দিল্লী, ৩০ এপ্ৰিলঃ** দৰ্শকক আকৰ্ষণ কৰিবলৈ আইপিএলৰ মঞ্চলৈ অনা হৈছে এটা ৰবট কুকুৰ, নাম 'চম্পক'। কিন্তু এতিয়া এই নামক লৈয়ে সৃষ্টি হৈছে বিতৰ্কৰ। 'চম্পক' নামৰ এখন বিখ্যাত আলোচনীয়ে এই নাম ব্যৱহাৰ কৰি কপিৰাইট আইন উলংঘা কৰা বুলি দাবী কৰি বিচিচিআইৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত গোচৰ তৰিছে। ইতিমধ্যে আইপিএল ২০২৫ত দৰ্শকৰ মাজত প্ৰিয় হৈ পৰিছে ৰবট কুকুৰ 'চম্পক'। টছৰ সময়ত খেলপথাৰলৈ আহি ক্ৰিকেটাৰৰ লগত হাত মিলাই, আনকি কেমেৰাৰ সহায়ত ষ্টেডিয়ামৰ ভিতৰৰ অংশও দেখুৱাই চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে ৰবট কুকুৰটো। কিন্তু এই জনপ্ৰিয়তাই এতিয়া আইনী জটিলতাৰ সন্মুখীন হৈছে। 'চম্পক' কাকতক প্ৰতিনিধিত্ব কৰা অধিবক্তা অমিত গুপ্তাই ব'ৰ্ডে তেওঁলোকৰ কপিৰাইট উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰিছে। একে নাম ব্যৱহাৰ কৰাৰ ফলত কাকতখনে আৰ্থিক লোকচানৰ সন্মুখীন হ'বলগীয়া হোৱা বুলিও উত্থাপন হৈছে অভিযোগ। ইয়াৰ উত্তৰত বিচিচিআইৰ অধিবক্তা জে সাই দীপকে দাবী কৰে যে 'চম্পক' এবিধ ফুলৰ নাম, আৰু দৰ্শকৰ ভোটত নামটো চূড়ান্ত কৰা হয়। তেওঁ কয় যে এমাহজোৰা প্ৰচাৰৰ অন্তত এই নামটো বাছনি কৰা হৈছে। এই আবেদনৰ ভিত্তিত ন্যায়াধীশ সৌৰভ বেনাৰ্জীয়ে বিচিচিআইক চাৰি সপ্তাহৰ ভিতৰত লিখিতভাৱে উত্তৰ দিবলৈ কয়। পৰৱৰ্তী শুনানি হ'ব ৯ জুলাইত। কিন্তু শুনানিৰ মাজতে হঠাৎ বিচাৰকজনে বিৰাট কোহলীৰ নাম উত্থাপন কৰে। তেওঁ কয়, বিৰাট কোহলীৰ মতা নাম 'চিকু'। অৱশ্যে 'চম্পক' আলোচনীখনৰ এটা চৰিত্ৰৰ নামো 'চিকু' বুলি কোৱা হৈছে। আদালতৰ প্ৰশ্ন- "তেন্তে কোহলীৰ মতা নামক লৈও আপত্তি কৰিব নেকি?" এই মন্তব্যৰ পিছতে কাকতখনৰ অধিবক্তাই কয়, "যদি 'চিকু' নামৰ সামগ্ৰী এটা বজাৰলৈ অনা হয়, তেন্তে সেইটোও আৰ্থিক শোষণৰ শ্ৰেণীত পৰিব।" ৰবট কুকুৰ 'চম্পক' সন্দৰ্ভত এই গোচৰে আইপিএলৰ পৰ্যায়ত এক নতুন মাত্ৰা সংযোজন কৰিছে। ৯ মে'ত অনুষ্ঠিত হ'ব গোচৰৰ পৰৱৰ্তী শুনানি।

# আৰ্থিক প্ৰত্যাহ্বানকো নেওচি ৯৬.৮০ শতাংশ নম্বৰৰে কলা শাখাত উজলিল বেতবাৰীৰ গায়ত্ৰী

**ই-সংবাদ, শিৱসাগৰ, ৩০ এপ্ৰিলঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত জুইয়ে পোৰা সোণ হৈ উজলিল শিৱসাগৰ বেতবাৰীৰ ২ নং দ-গাঁৱৰ নিবাসী মেধাৱী ছাত্ৰী গায়ত্ৰী ফুকন। মাধৱ ফুকন আৰু নিজৰা ফুকনৰ কন্যা গায়ত্ৰী ফুকনে শিৱসাগৰ ডিমৌৱালস্থিত বিদ্যাভৱনৰ পৰা এই পৰীক্ষাত অৱতীৰ্ণ হৈ মুঠ ৯৬.৮০ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। কোনো ঘৰুৱা শিক্ষক তথা টিউচনৰ সহায় নোলোৱাকৈ আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ মুঠ ৫৮০ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ৰেংক তথা স্থান ব্যৱস্থা থকা হ'লে নি:সন্দেহে প্ৰথম দহটা স্থানৰ ভিতৰত স্থান লাভ কৰিলেহঁতেন গায়ত্ৰী ফুকনে। গায়ত্ৰী ফুকনে ইংৰাজী বিষয়ত ৯১ নম্বৰ, অসমীয়া বিষয়ত ৯৭ নম্বৰ, ভূগোল বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ ১০০ নম্বৰ, ইতিহাসত ৯৯ নম্বৰ ,ৰাজনীতি বিজ্ঞানত ৯৭ নম্বৰ আৰু সমাজ শাস্ত্ৰ বিষয়ত ৯৬ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। যেতিয়াই সময় পাই মনোযোগেৰে অধ্যয়ন কৰাৰ লগতে বিদ্যালয়ত শিক্ষক শিক্ষয়িত্ৰীসকলেও যথেষ্ট সহায় কৰা বুলি সদৰি কৰিছে ছাত্ৰীগৰাকীয়ে। দিন হাজিৰা কৰি কোনোমতে পৰিয়াল চলোৱা পিতৃ মাতৃয়ে কিদৰে গায়ত্ৰীক আগুৱাই যোৱাত আহোপুৰুষাৰ্থ কৰিছে সেয়াও ক'লে আজি আৱেগিক হৈ পৰা গায়ত্ৰী ফুকনে। সদ্যহতে স্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰাৰ পিছতে ভৱিষ্যতে অসামৰিক সেৱাৰ পৰীক্ষা দিবলৈ লক্ষ্য স্থিৰ কৰিছে গায়ত্ৰী ফুকনে। উল্লেখ্য যে গায়ত্ৰী



ফুকনে একেখন শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ৯৫.১৭ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছিল। দৰিদ্ৰতাই সমস্যাৰ সৃষ্টি কৰিলেও নিৰলস অধ্যয়ন , একাগ্ৰতাৰ বলত সকলো বাধা অতিক্ৰমি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ফলাফল মেট্ৰিকতকৈ ভাল কৰিবলৈ সক্ষম হ'ল গায়ত্ৰী ফুকন। তেওঁৰ এই সাফল্যত পিতৃ মাতৃ, স্থানীয় ৰাইজ তথা বিদ্যা ভৱনৰ শিক্ষক শিক্ষয়িত্ৰীসকলেও আনন্দ প্ৰকাশ কৰিছে।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি